গল্প

# —পৰেশ ৰায়ক লগ পাইছিলো—

দুটা এটা ঘটনাই জীৱনত কেতিয়াবা এনে একোটা সাঁচ পেলাই থৈ যায় যে তাক ব্যক্ত নকৰা পৰ্যন্ত শান্তি পোৱা সম্ভৱ নহয়। মোৰ জীৱনতো ঘটা তেনে এটা ঘটনাৰে বৰ্ণনা এটা গল্পৰ উদ্দেশ্য।

ঘটনাৰ পটভূমি ৰচিত হৈছিল ডাউকীত। ভাৰত বাংলাদেশ সীমান্তৱৰ্ত্তী গাওঁ ডাউকীত। এই ডাউকীতে কেই বছৰমান আগতে বিশেষ চৰকাৰী কাম এটাৰ দায়িত্বলৈ কিছুদিন থাকিব লগাত পৰিছিলোঁ। আৰু স্বাভাৱিকতে সেই কেইটা দিনৰ ভিতৰত সেই ঠাইৰ প্ৰখ্যাত অখ্যাত বহু লোকৰ লগত মোৰ চিনাকী হৈছিল। চিনাকী হৈছিল তেওঁলোকৰ জীৱনৰ সৰু বৰ বহু ঘটনাৰ লগত। কিন্তু বহুজনৰ বহু ঘটনা পানীৰ বুদবুদৰ দৰে সময়ত মাৰ গৈ বিস্মৃতিৰ গৰ্ভত লীন হৈ গলেও দুটা এটা ঘটনা মনৰ নিজৰাৰ তলিত অম্লান হৈ থাকি গ'ল। তেনে এটা ঘটনা ঘটিছিল পৰেশক কেন্দ্ৰ কৰি।

পৰেশ মানে পৰেশ ৰায়। তাত থাকিবলৈ লোৱাৰ কেইটামান দিনৰ ভিতৰতে মই অনুমান কৰিছিলো যে পৰেশক নিচিনা মানুহ ঠাইখনত বৰ কম। কাৰোবাৰ নলা নৰ্দমা চাফ্ কৰিব লগীয়া হলে, কাৰোবাৰ খৰি দুডাল ফালি দিবলগীয়া হলে অথবা কাৰোবাৰ বোজা কাঢ়িয়াব লগা থাকিলে সাধাৰণতে সকলোৰে পৰেশলৈ মনত পৰে। সকলোৱে বিচাৰ কৰে পৰেশক। ঠিক তেনেকুৱা কাৰণতে ময়ো চিনি পাইছিলোঁ পৰেশক।

সেইদিনা আছিল বজাৰ দিন। বজাৰত খৰি এভাৰ কিনি মই পৰেশৰ হাতত নগদ দুটকা দি খৰিভাৰ মোৰ বাসস্থানলৈ পঠাই দিছিলোঁ।

সুশীল কুমাৰ চৌধুৰী
১ম বাৰ্ষিক, উঃ মাঃ শ্ৰেণী

কিন্তু বাসস্থানলৈ ঘূৰি আহি যেতিয়া বাৰান্দাত খৰিৰ বোজাটো দেখা নাপালো তেতিয়া নিজৰ মূৰ্খামিত নিজে লজ্জিত হলোঁ। কিয়নো মোৰ জনা উচিত আছিল যে পৰেশক যদি কাম কৰাৰ আগতে পইচা দিয়া হয় সি আগতে মদৰ দোকানলৈ যায়—পিচতহে কাম কৰে আৰু ভাগ্যচক্ৰে যদি সি মদৰ দোকানত তাৰ মনোমিলা পাৰ্টনাৰ দুই এজন লগ পায় তেতিয়া হলে কাম কেতিয়া হয় তাক স্বয়ং ব্ৰহ্মাইও কব নোৱাৰে।

সেইদিনা সম্ভৱ পৰেশৰ হাতত দুই চাৰি টকা বেছিকৈ পৰিছিল। গতিকে স্বাভাৱিকতে তাৰ মদৰ শ্ৰাদ্ধও বেছি হৈছিল। সেয়ে হবপায় আবেলি চাৰিটা

মান বজাত পৰেশে যেতিয়া মোৰ বাসস্থান পাইছিলাহি তেতিয়া তাৰ খোজ আছিল থবক ববক, চকু জৱা ফুলৰ দৰে। কোনো ৰকমে সি খাবিব বোজাটো বাবান্দাত নমাই মোৰ ওচৰলৈ আহি খুটা এটাত আউজি থিয় হৈছিল। মোৰ পেটে-পেটে খং উঠি আছিল কাৰণে তাক বহিবলৈ নকলো। তাবোপৰি বহিবলৈ ক'লেই আবোল-তাবোল কিবা-কিবি কৈ সময় নষ্ট কৰিব। সি সেইখিনি সময়ত গুচি যোৱাটোকে মই মনে-প্ৰাণে কামনা কৰিছিলোঁ। কিন্তু পৰেশ গুছি যোৱাৰ কোনো লক্ষণে দেখা পোৱা নাছিলোঁ। সি মাটিতে লেপেটা খাই বহি পৰিছিল। মই তাৰপিনে মূঢ়া এটা আগ-বঢ়াই দিলোঁ। কিন্তু সেই পিনে সি ভ্ৰূক্ষেপেই কৰা নাছিল। কিছুসময়ৰ নিৰৱতাৰ পিচত সি কৈ উঠিছিল— বাবু ল'বাটো কিজানি লঘোনে আছে। যদি দুটা টকা দিয়ে কাইলৈ আপোনাৰ নলাটো চাফা কৰি দিলোঁ-হেতেন।' মই প্ৰথমে তাৰ কথাখিনি শুনিও নুশুনাৰ ভাও ধৰিলোঁ। অলপ সময়ৰ পিচত কিন্তু মোৰ তাৰ প্ৰতি সহানুভূতি জন্মিল। পকেটৰ পৰা পাচঁ টকীয়া নোট এখন উলিয়াই তাৰ হাতত দি কলোঁ—'লোৱা, এই পাচঁ টকা দি যঁতে পাৰা মদৰ শ্ৰাদ্ধ কৰাগৈ।' আনদিনা হোৱা হলে পৰেশে ঢেক-ঢেকাই হাঁহি এটা মৰাৰ লগতে চালাম এটা দি আতৰি গ'লহেতেন। কিন্তু সেইদিনা সেইখিনি কৰাৰ সলনি সি আগৰ নিচিনাকৈয়ে বহি থাকিল—যেন সি কিবা কবলৈহে বৈ আছে যেন তাৰ ভিতৰত কব লগা বহু কথা আছে অথচ কি ক'ব কি নক'ব ভাবি সি থিক কৰিব পৰা নাই।

কিছু সময় নীৰৱে পাৰ হৈ গৈছিল। তাৰ পৰা কথা উলিয়াম বুলি ময়ে নীৰৱতা ভঙ্গ কৰিলোঁ— 'পৰেশ, তোমাৰ চেহেৰা-পাতিলৈ চাই তোমাক ভদ্ৰ ঘৰৰ মানুহ বুলিয়ে অনুমান হয়। অথচ ... ..........'

মনক এক সাংঘাতিক প্ৰতিক্ৰিয়া হলে মানুহৰ মুখত যি অভিব্যক্তি ফুটি উঠে ঠিক তেনে এক অভিব্যক্তি তাৰ সমস্ত মুখ-মণ্ডলত খন্তেকৰ বাবে ফুটি উঠিছিল। বুজাত মোৰ অসুবিধা হোৱা নাছিল যে মোৰ কথা-খিনিয়ে তাৰ মনত সেই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

পৰেশৰ মুখৰ সেই ভাৱান্তৰ, কিন্তু কেই মুহূৰ্তমানৰ পিচত আঁতৰি গৈছিল। সি আকৌ আগৰ দৰেই সহজ হৈ পাৰিছিল। সি বহাতে এবাৰ গাটো লৰ-চৰ কৰি লৈছিল। বুজি পাইছিলোঁ সি কিবা কবৰ প্ৰস্তুতি চলাইছে। আৰু সঁচাকৈয়ে খন্তেক পিচত মাতত যথেষ্ট হতাশ আৰু কাৰুণ্য সানি সি কৈ দিছিল— 'সকলো অদৃষ্টৰ পৰিহাস, চৌধুৰী বাবু! নহলে ৰায় মহাজনৰ ল'ৰা আজি কুকুৰ মেকুৰীৰ দৰে জীয়াই থাকিব নালাগে।

তাৰ কথাখিনিয়ে মোৰ মনত এক তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছিল। কৌতূহল দমাব নোৱাৰি বৰ ব্যগ্ৰতাৰে তাক সুধি পেলালোঁ: কোন ৰায় মহাজন?"

'কিশোৰ গঞ্জৰ......... ৰায় মহাজন' — মাতত এক গাম্ভীৰ্য লৈ সি প্ৰত্যুত্তৰ দিলে।

বুকুত তেতিয়া মোৰ শ্বাসৰুদ্ধ হোৱা উত্তেজনা! তথাপি যিমান দূৰ পাৰি স্বাভাৱিক হোৱাৰ চেষ্টা কৰি তাক পুনৰ সুধিলোঁ— 'তোমাৰ দেউতাৰ নামটো কি আছিল বাবু?'

'দুলাল ৰায়। সেই অঞ্চলৰ মানুহে অৱশ্যে ৰায় মহাজন বুলিহে মাতিছিল।'

মোৰ তেতিয়া নিজৰ কাণকে বিশ্বাস কৰিব নোৱাৰা অৱস্থা। বিস্ময় আৰু বেজাৰৰ মিশ্ৰিত প্ৰতি-ক্ৰিয়াত মই প্ৰায় চিঞৰি উঠাৰ নিচিনাকে সুধিছিলোঁ— 'কিন্তু তোমাৰ—আপোনাৰ এই অৱস্থা ... ...'

একে সহজ শান্ত উদাস মাতেৰে মোৰ সমুখৰ পৰেশ নামৰ প্ৰায় চল্লিশ বছৰ বয়সীয়া মানুহজনে কৈ গৈছিল— 'অধৈৰ্য নহব, চৌধুৰী বাবু। সকলো কথা আপোনাক ক'ম বুলিয়ে আজি বহিছোঁ।'

দুচকুত উদাস দৃষ্টি লৈ দুটামান নীৰৱ মুহূৰ্ত পৰেশে সমুখৰ ৰাস্তাটোৰ ফালে চাই আছিল। তাৰ পিচত আৰম্ভ কৰিছিল—'......... তেতিয়া মোৰ বয়স আঠ বছৰ। গাওঁৰ মানুহৰ মুখে মুখে এটাই কথা—

দেশ স্বাধীন হব। এইখন পাকিস্থান হব। আবু তাৰ লগে লগে আৰম্ভ হৈছিল শোভাযাত্ৰা, হৰতাল, কাবাববণ, আইন অমান্য ইত্যাদি ইত্যাদি । আৰম্ভ হৈছিল অত্যাচাৰ । নিদাৰুণ উৎপীড়ন । দৈনিক খবৰ পাওঁ আজি অমুকক কাটিলে, কালি অমুকীৰ ইজ্জত লুটিলে, আজি ইখন গাওঁ জ্বলালে, কালি সিখন গাওঁ জ্বলালে ইত্যাদি ইত্যাদি । তাৰ পিচত অতি সোনকালে এনে এটা দিন আহিল যিদিনা আমাৰ গাওঁতো জুই দিয়া হ'ল। সেই সময়ত মই ঘৰৰ পৰা কিছু দূৰৈত সমনীয়া কেইজন মানৰ সৈতে দুজনমান বয়সস্থ মানুহৰ পৰা দেশৰ পৰিস্থিতিৰ কথা শুনি আছিলোঁ। মানুহৰ কোলাহল আবু ক্ৰন্দন ধ্বনিত মোৰ অন্তৰাত্মা কঁপি উঠিল। প্ৰাণ-পণে ঘৰলৈ দৌৰিবলৈ ধৰিলোঁ। কিন্তু কিছু দূৰ অহাৰ পিচতে দেখিলোঁ আমাৰ ঘৰবোৰৰ ওপৰত জুইৰ তাণ্ডৱ নৃত্য চলিছে আবু গাওঁৰ মানুহবোৰে ভয়ত চিঞৰ-বাখৰ কৰি প্ৰাণৰ মায়াত যেনিতেনি দৌৰিছে । হঠাতে কিছুদূৰত থকা বেলষ্টেচনত বেলগাড়ীৰ চিঞৰ শুনি মোৰ মগজুত বিদ্যুত খেলি গ'ল। প্ৰাণ-পণে বেলষ্টেচনলৈ দৌৰিলোঁ। টেইন খনে ষ্টেচন এৰিছিলেই। দৌৰি গৈ কোনোমতে ডবা এটাত জাপ মাৰি উঠিলোঁ।

টেইনত উঠি লোৱাৰ পিচত মোৰ মা-দেউতালৈ মনত পৰিল। মনত পৰিল সৰু ভনী দিপালীলৈ। মই হুক-হুকাই কান্দিব ধৰিলোঁ। তেতিয়া আবু নামি যোৱাৰ উপায় নাছিল । টেইন পূৰ্ণ গতিত চলিবলৈ লৈছিল। ওচৰতে এজন মোল্লা আছিল । তেওঁ মই ক'ব পৰা আহিছোঁ, কিয় কান্দিছোঁ, সুধিবলৈ ধৰিলে। মই তেওঁক সকলো কথা বিবৰি ক'লোঁ। তেওঁ শান্তনা দি ক'লে যে তেনেকৈ কান্দিলে মোৰ প্ৰাণৰ সংশয় আছে, কিয়নো কিছুমান দুৰ্বৃত্ত সেইখন গাড়ীতে উঠিছে। মই তেতিয়া ওচৰৰ মানুহ বোৰলৈ লক্ষ্য কৰিলোঁ । আমাৰ কামৰাটোত হিন্দু আবু মুছলমান উভয় সম্প্ৰদায়ৰ মানুহ আছিল যদিও মোল্লাজনে কোৱা ধৰণৰ কোনো দুৰ্বৃত্ত মোৰ চকুত নপৰিল ।

কিছু সময় পিচত আমাৰ গাড়ীখন এখন দলঙৰ ওপৰত আহি ৰৈ গ'ল। লগে লগে মই কিবা বুজি উঠাৰ আগতে মানুহজনে মোক তেওঁৰ লুঙীৰ তলত সুমুৱাই ললে। মই ভয়ত কঁপিব ধৰিলোঁ। এটা হুল-স্থুলীয়া পৰিবেশৰ সৃষ্টি হ'ল। আমাৰ কোঠালৈ কেইজনমান মানুহ সোমাই আহিল। আবু তাৰ খন্তেক পিচতে শুনিবলৈ পালো মানুহৰ উঃ আঃ নিদাৰুণ আৰ্ত্তনাদ আবু নদীৰ বুকুত কিবা পেলোৱাৰ দুপ্ দুপ্ শব্দ।

কিছু সময় পিচত আকৌ যেতিয়া টেইনখন চলিল তেতিয়া মোল্লাজনে মোক তেওঁৰ লুঙীৰ তলৰ পৰা উলিয়াই দিলে। কিন্তু কি বিভৎস সেই দৃশ্য ! টেইনৰ মজিয়া তেজেৰে বন্তাক্ত হৈ আছে। এটা সময়ত মই মানুহজনৰ কোলাতে টোপনিয়াব ধৰিলো। যেতিয়া টোপনিৰ পৰা তেওঁ মোক জগাই দিলে দেখিলো বেলখন থামিছে। মানুহজনে মোক ক'লে, 'সৌৱা পথাৰৰ সিপিনে যে নতুন ঘৰ আবু মানুহ বিলাক দেখিছা সেয়া ইণ্ডিয়াৰ কেম্প, সোনকালে তালৈ গুচি যোৱা।' লগে লগে মই দৌৰি সেই কেম্পলৈ আহিলো। কেম্পত থাকিবলৈ লৈ মা-দেউতাৰ খবৰ লবলৈ ধৰিলো। কিন্তু তেতিয়াতো নাপালোৱেই, আজিলৈয়ো তেওঁলোকৰ খবৰ নাপালোঁ। সি যিকি নহওক, কিছুদিন পিচত মই যে জীয়াই থাকিব লাগিব সেই কথাৰ চেতনা মোৰ অন্তৰত জন্মিল। পেটৰ তাড়নাত কল্পনা কৰিব নোৱাৰা বহু কদৰ্যময় কামেই কৰিবলৈ অভ্যস্ত হৈ পৰিলোঁ। অৱশেষত এদিন এজনী খাছীয়ানী বিয়া কৰাই তাইৰ নামতে দোকান এখন খুলিলো; কিন্তু তায়ো যে অৱশেষত এদিন বিশ্বাস ঘাতকতা কৰিব ভাবিবই পৰা নাছিলোঁ ... ... ... ...।'

ইতিমধ্যে পৰেশৰ পাঁচ বছৰীয়া ল'ৰা টনী আহি তাৰ কোলাত বহি লৈছিল । ল'ৰাটোৰ ফালে আঙুলিয়াই ক'লে—'ইয়ে মোৰ সংসাৰৰ একমাত্ৰ অৱলম্বন, চৌধুৰী বাবু। কেতিয়াবা অৱশ্যে ইয়াক হাৰমাল যেনো লাগে । ইয়ো মাকজনীৰ লগত গুচি যোৱা হ'লেই হয়তো ভাল হ'লহেঁতেন ... ... ... ... ...।'

ইতিমধ্যে ল'ৰাটোৱে ভঙা ভঙা অসমীয়াত ' ভোক লাগিছে দেতা, ভোক লাগিছে দেতা,—বুলি ঘেন ঘেনাব ধৰিলে । পৰেশৰ কিন্তু ল'ৰাটোৰ ফালে কোনো ভ্ৰূক্ষেপ নাছিল । সম্পূৰ্ণ এক উদাস দৃষ্টিৰে সি সমুখৰ ৰাস্তাটোৰ ফালে চাই আছিল । তাৰফালে চাই মই এটা কথাই ভাবিছিলোঁ—কেতিয়াবা বাস্তৱে ঔপন্যাসিকৰ কল্পনাকো চেৰ পেলাই যায় । এই মোৰ সমুখত বহি থকা পৰেশ নামৰ মানুহজন— তাৰ ইতিহাস নাজানিলে কোনেনো কল্পনা কৰিব পাৰিব যে সিয়ে তাহানিৰ কিশোৰ গঞ্জৰ দুলাল ৰায়ৰ চকুৰ মণি সদৃশ একমাত্ৰ পুত্ৰ-সন্তান । যিজন দুলাল ৰায়ৰ প্ৰতিপত্তিক সমীহ কৰি তাহানি মানুহে স-সন্মানে ৰাস্তা এৰি দিছিল, যাৰ চকুৰ ফালে চকু তুলি মানুহে সাধাৰণতে কথা নাপাতিছিল সেইজন মানুহৰ ল'ৰাই আজি মানুহৰ ঘৰে ঘৰে নলা-নৰ্দমা চাফ্ কৰে, মুতিয়াৰ হৈ বস্তু কাঢ়ুৱায়.............। ভাগ্যৰ কি পৰিহাস !

পৰেশে তাৰ জীৱনৰ অলিখিত ইতিহাসৰ পাত কেইখিলা মোৰ সমুখত মেলি ধৰি মোক এনে এক অকল্পনীয় অৱস্থাৰ সমুখা-সমুখি কৰি দিছিল যে সেই অৱস্থাত কেইটামান মুহূৰ্তলৈ মই শব্দ আৰু ভাষাৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছিলোঁ । মই ভাবি পোৱা নাছিলো যে তাৰ সমুখত ইমান দিনে সম্পূৰ্ণ অনাত্মীয় আৰু বেলেগ শ্ৰেণীৰ মানুহ এজনৰ পৰিচয় বহন কৰি থকা মই মানুহজনে কেনেকৈ তাক ক'ম যে ভাৱতলৈ ভাগি অহাৰ পিচত পুত্ৰ শোকত মৃতপ্ৰায় হোৱা দুলাল ৰায়ৰ শেষ অনুৰোধক্ৰমে তেওঁৰ কন্যা দীপালীৰ পাণি ময়ে গ্ৰহণ কৰিছিলোঁ—কেনেকৈ তাক ক'ম যে দীপালীয়ে এতিয়াও তাৰ কথা মনত পেলাই বহুতো বিনিদ্ৰ ৰজনী পাৰ কৰি দিয়ে ... ... ... ... ।

এইবাৰ মই বহাৰ পৰা মোৰ অজানিতে ঘপহকৈ উঠি পৰিছিলোঁ আৰু পৰেশক দুয়ো হাতেৰে সাৱটি ধৰি কৈ উঠিছিলো যে তাৰ মৰমৰ ভন্টী দীপালী জীয়াই আছে আৰু ময়ে তাৰ ভগ্নীপতি ।

বিস্ময়ত, আনন্দত, হয়তো বেজাৰতো পৰেশ হতবাক হৈ গৈছিল । কিবা কোৱাৰ সলনি তাৰ দুচকুৰে নিগৰি পৰিছিল কেইটোপালমান চকুলো । প্ৰসঙ্গটো সলনি কৰিবলৈ ময়ে কৈ উঠিলোঁ—' চাওক দাদা, এতিয়াতো আপুনি অকলশৰীয়া নহয় । আপোনাৰ মা-দেউতা ঢ়কাল । কিন্তু আপোনাৰ মৰমৰ ভন্টী দীপালীতো আছে । ময়োতো আছোঁ । আৰু আছে আপোনাৰ মৰমৰ ভাগিনহঁত । সিহঁতে সদায় মাকৰ মুখত আপোনাৰ কথা শুনি শুনি নেদেখাকৈয়ে আপোনাৰ লগত আত্মীয়তা গঢ়ি লৈছে । গতিকে আপুনি ইয়াত আৰু এনেকৈ থাকিব নোৱাৰে । যোৱা কালি মোৰো ইয়াত কাম শেষ হ'ল । গতিকে অহা কাইলৈকে টনীক লৈ আপুনি মোৰ লগতে গুৱাহাটীলৈ ওলাওক । বেচেৰী দীপালীজনীয়ে আপোনাক দেখিলে যে কি আনন্দ পাব ... ... ... — ... ... ...।'

মোৰ কথাখিনি শুনি পৰেশে একো মতা নাছিল । আবেলিৰ ধূসৰতাৰ মাজেৰে এক কোমলতা সনা দৃষ্টিৰে সি মাথো মোৰ ফালে চাই আছিল । মই ধৰি লৈছিলোঁ সি সুখী হৈছে—চব হেৰুৱাৰ পিছত জীয়াই থকাৰ কিবা এটা প্ৰেৰণা পাইছে—দীপালীক চাবলৈ তাৰ অন্তৰত এক উদগ্ৰ বাসনাৰ জন্ম হৈছে ... ... ...।

ইতিমধ্যে টনী ভোকত চট্-ফটাব ধৰাত মই উঠি গৈ ভিতৰৰ পৰা কল কেইটামান আৰু বিস্কুট দুই পেকেট আনি টনীৰ হাতত দিলোঁ । বস্তুখিনি লৈ টনীয়ে এবাৰ মোৰ এবাৰ দেউতাকৰ ফালে চালে । পৰেশৰ সম্ভৱ তেতিয়াহে খেয়াল হ'ল যে টনীয়ে কেবা ঘণ্টা একো খোৱা নাই । সি তৎক্ষণাৎ কল এটাৰ বাকলি গুচাই টনীক খাবলৈ দিলে । তাৰ পিচত ঘপহকৈ থিয়হৈ মোৰ ফালে চাই ইহঁা যেন কৰি টনীক এহাতেৰে ধৰি লাহে লাহে ওলাই গ'ল । বাট-চ'ৰালৈ আগবাঢ়ি গৈ মই পুনৰ পিচদিনা ৰাতিপুৱা টনীক লৈ মোৰ তালৈ আহিবলৈ পৰেশক কৈ পঠালোঁ ।

পিচদিনা ৰাতিপুৱা কিন্তু পৰেশ নাহিল । আহিল টনী । তাৰ হাতত এখন চিঠি । দোৱা দোৱিকৈ খুলি চাই পঢ়িলোঁ ।

মৰমৰ সুধীন,

ইহজনমত আৰু এই কালিনাদগ্ধ খ আপোন-জনক দেখুৱাৰ সাহস মোৰ নাই। তুমি এই চিঠিখন পোৱাৰ আগতে মই এনে ঠাইত আত্মগোপন কৰিম যে গোটেইখন গাওঁ বিচাৰি চলাথ কৰিলেও তুমি মোক উলিয়াব নোৱাৰিবা। গতিকে মোক বিচৰাৰ বৃথা চেষ্টা নকৰিবা। দীপালীক পাৰিলে মই জীয়াই থকাৰ কথা নকবাই। টনীক কিন্তু গতাই দিবা মোৰ সন্তানৰ পৰিচয়েৰে। সি যাতে মানুহ হয় তোমালোক দুয়ো চাবা। ভাগিনহঁতক দিবলৈ মোৰ একোৱেই নাই। ঈশ্বৰৰ আশীৰ্বাদ সিহঁতৰ সহায় হওক। ইতি—

তোমাৰ দুৰ্ভগীয়া দাদা—।

" পৰেশ "

চিঠিখন পঢ়ি উঠি মই হাতৰ ঘড়ীটোলৈ চালোঁ। সাত বাজি ত্ৰিশ মিনিট গৈছে। ট্ৰেইন সাতটা পঞ্চাশত। টনীক এহাতেৰে ধৰি মই কোৱাকুৰিকৈ ষ্টেচনৰ ফালে আগবাঢ়ি গলোঁ। টনীৰ ফালে এবাৰ চোৱাত দেখিলোঁ তাৰ চকু মুখত ভয় আৰু কৌতূহলৰ মিশ্ৰিত চাৱনি। দেউতাক ষ্টেচনত তাৰ বাবে বৈ থাকিব বুলি কোৱাত সি সহজ হৈ মোৰ লগে লগে খোজ দিবলৈ ধৰিলে। মোৰ বুকুৰ কোনোবা খিনি তেতিয়া বিষাই উঠিছিল এই ভাবত যে টনীয়ে হয়তো তাৰ দেউতাকক ইহজনমত কাহানিও লগ নাপাবও পাৰে।

0 0 0 0

'গল্পত ফৰ্মৰ গুৰুত্ব যে বেছি তাক নকলেও চলে। কিন্তু গল্পৰ ফৰ্ম কথা বস্তুৰ চাক্ষুষ ৰূপহে। চিত্ৰ কলাৰ দৰে এই ৰূপ নিৰ্বাক নহয়। ই বাণীসৰ্বস্ব; শব্দধ্বনিৰ মাধ্যমেৰে প্ৰকাশিত ভাব ইয়াৰ উপজীব্য। গতিকে ইয়াক কথাবস্তুৰ পৰা পৃথক কৰি চিন্তা কৰিব নোৱাৰি। বস্তু আৰু ফৰ্মৰ মাধুৰ্য্যৰ সম্বন্ধ অবিচ্ছেদ্য। ৰমণীয় কৰ্মৰ খোলাৰ মাজত কুৎসিৎ বস্তুৰ প্ৰবেশে ফৰ্ম উপভোগ্য কৰি নোতোলে। বস্তুৰ একক প্ৰভাৱলৈ লক্ষ্য ৰাখি ৰমণীয় ৰূপত তাৰ উপস্থাপনৰ কৌশলত পোৱা যায় ফৰ্মৰ সাৰ্থকতা। গতিকে কৃতী গল্প লেখক হয় বস্তু আৰু ফৰ্ম দুয়োৰে প্ৰতি সমানভাৱে সজাগ। নতুন লেখক সকলৰ কিছুমানৰ বিপক্ষে সমালোচকে তোলা তাৰল্যৰ অভিযোগ কিছু পৰিমাণে সচা হলেও বিচিত্ৰতাৰ ফালৰ পৰা এনেবোৰ সৃষ্টিৰ দাম নোহোৱা নহয়। সমাজৰ বিবৰ্তনৰ লগে লগে নতুন নতুন দিশ আৰু সমস্যাৰ ওপৰত লেখকৰ নজৰ পৰে। গল্পৰ যোগেদি এনে দিশৰ ৰূপায়ণ কেতিয়াবা আকৰ্ষণীয় হৈ নুঠিলেও সি বৰ্জনীয় নহয়।'

—শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী

# ঃ চান্দাৰ প্ৰসঙ্গত ঃ

শ্ৰীবিৰিঞ্চি কুমাৰ ৰাভা
২য় বাৰ্ষিক, স্নাতক মহলা

ৰমজান আলিয়ে তাৰ মুখত ঘোচাটো পৰাৰ লগে লগেই বহাৰ পৰা পোনছাটে উঠি মানুহৰ ভিৰ ফালি ঘৰৰ ফালে প্ৰাণটোক দৌৰিছিল । নাই, সি কোনোমতে নিজক বচাব নোৱাৰিলে । সি ল'ৰাজাকৰ পৰা হাত সাৰি যাব নোৱাৰিলে । ল'ৰাজাকে তাক ধৰি গৰুপিতন দিলে । তাৰ নাকে-মুখে তেজ ওলাল । তাৰ মলিয়ন গেঞ্জীটো সিহঁতে ফালি পেলালে । দৌৰি আহোতে টায়াৰৰ চেন্দেলযোৰো ক'ৰবাত পৰি থাকিল । গোটেই গাতে সি বিষ অনুভৱ কৰিলে । চান্দাৰ বাবে ৰমজানে ইয়াৰ আগতেও দুই এবাৰ অপ্ৰিয় পৰিস্থিতিৰ সন্মুখীন হব লগীয়া হৈছিল ; কিন্তু আজিৰ দৰে নহয় । চান্দাৰ নামত এনে দুৰ্দশা তাৰ কেতিয়াও হোৱা নাছিল ।

আজি ৰমজানহঁতৰ স্থানীয় বজাৰৰ দিন । ৰমজানে আন দিনৰ বজাৰৰ দৰে আজিও তাৰ তামোল-পাণৰ সৰু দোকানখন আগে-পাছে মেলা ঠাইতে মেলি লৈছিলহি মাত্ৰ । এনেতে এজাক ল'ৰাই ক্লাবঘৰৰ বাবে চান্দা বিচাৰি তাৰ কাষ পালে । সিহঁতে আহিয়েই কথানাই বতৰানাই চান্দাৰ নামত ৰমজানৰ পৰা টকা বিশটা দাবী কৰিলে । সিহঁতৰ কথাত ৰমজান আচৰিত হ'ল । তাৰ হাতত এতিয়া টকা এটাই নাই, লাগ-বুলিয়েই ফত্‌কৈ কৰপৰা সি টকা বিশটা দিয়ে । তাৰ হাতত এতিয়া মাত্ৰ সত্তৰ পইচাহে আছে । এটা পঞ্চাশ পইচা আৰু দুটা দহ পইচা । পঞ্চাশ পইচা-টোকে ৰমজানে ল'ৰাজাকৰ ফালে তাৰ আগ হাতেৰে আগবঢ়াই দিলে । ল'ৰাজাকৰ এজনে পইচাটি ৰমজানৰ হাতৰ পৰা লৈয়ে ৰমজানৰ মুখতে দলি মাৰি দিলে । ল'ৰাজাকৰ কাণ্ড দেখি ৰমজান আৰু আচৰিত হ'ল । বেচেৰাই সিহঁতৰ ফালে ভেবা লাগি চাই থাকিল । সিহঁতক পঞ্চাশ পইচা নালাগে, নলয় । সিহঁতক বিশ টকা লাগে, লাগিবই । এয়া যেন সিহঁতৰ চিৰন্তন দাবী । ইতিমধ্যে ল'ৰাজাকে ৰমজানক ঘেৰি ধৰিলে । ল'ৰাজাকৰ দুই এজনে তাৰ মুখৰ ওচৰলৈ ঘোচাও ভাঙিলে । কথাটো বিষম দেখি ৰমজানে হাতযোৰ কৰি ল'ৰাজাকক বিশটকা দিব নোৱাৰা কথাটো বুজাই ক'লে । নাই সিহঁতে তাৰ কথা নুশুনে, নামানে । সিহ'ত অলৰ-অচৰ । ৰমজানে এইবাৰ আৰু বিপদত পৰিলে । ইমান খিনি কাকুতি-মিনতি কৰা সত্ত্বেও ল'ৰাজাকে তাৰ কথা নুশুনাত তাৰ খঙে মূৰৰ চুলি পালেগৈ যদিও বাহিৰত সি প্ৰকাশ নকৰিলে । অনাহক কোনো কাজিয়া পেচালতে সোমোৱাৰ ইচ্ছা তাৰ নাই । তাতে আজি ৰাতিপুৱাৰ পৰাই তাৰ মনটো বেয়া লাগি আছিল । যোৱা কেবাদিনৰ পৰা নবিয়াত পৰি থকা ঘৈণী-য়েকৰ যোৱা ৰাতিৰ পৰা যোৱা-খোৱা অৱস্থা । হাতত নাই টকা পইচা । ইফালে ভাতৰ চৰুও উদং । এই কেইদিন এই ঘৰুৱা বেমেজালিৰ বাবে সি বজাৰে বজাৰে ঘূৰিবৰও পৰা নাই । টকা পাব ক'ৰ পৰা ! ইমানখিনি বিপদৰ মাজতো, বিশেষকৈ ঘৈণীয়েকৰ যোৱা-খোৱা অৱস্থাতো ৰমজানে যে আজি বজাৰলৈ আহিছে কেৱল দুই পইচা অৰ্জনৰ অপৰিহাৰ্য প্ৰয়োজনতহে । এতিয়াও তাৰ আশা—ঘৈণীয়েকৰ চিকিৎসাৰ বাবে দুই এ পইচা গোটাব পাৰিলে জানোচা ঘৈণীয়েকক বচাব পৰা যায়েই । এই ঘৰুৱা কথাবোৰ চিন্তা কৰি থাকোতে আচলতে তাৰ মূৰটো গৰম হৈ আছিল । এনেতে চান্দা বিচাৰি অহা ল'ৰাজাকক সমুখত দেখিয়েই তাৰ মূৰটো আৰু অধিক গৰম হৈ উঠিল ঃ কেৱল চান্দা, চান্দা, চান্দা । আজি বোলে এইটো উছৱৰ চান্দা । কালি বোলে সেইটো পৰ্বৰ চান্দা । কিমান চান্দা দিব ।

বজাৰে বজাৰে চান্দা দি দি তাৰ বেজাৰ লাগিছে। পণ্ডাছ পইচা, এটকা-দুইকাৰ সিহঁতে নাম গোন্ধেই নলয়। সিহঁতক লাগে বিশ টকাৰ পৰা এশ টকালৈ। অলপ পইচা দিলেও সিহঁতে দিগদাৰ কৰে। একেবাৰে নিদিলেও মহাবিপদ ; তেতিয়া সিহঁতে মাৰ-পিটো কৰে। হকে বিহকে চান্দা বিচাৰি অহা ল'ৰাৰ প্ৰতি ৰমজানৰ এটি সহজাত ঘৃণাৰ ভাৱ আছে যদিও আৰু সেইবাবে এনেকুৱা ক্ষেত্ৰত কদা-কদাচিত তাৰ ব্যৱহাৰত সামান্য বৃঢ়তা প্ৰকাশ পালেও আজিৰ কথাটো কিন্তু সম্পূৰ্ণ বেলেগ ধৰণৰ আছিল। ৰমজানে ল'ৰাজাকক খং কৰাটো দূৰৰ কথা বৰং যথেষ্ট নম্ৰভাৱে তাৰ অৱস্থাটো বুজাবৰ চেষ্টা কৰিছিল। কিন্তু সিহঁত আঁকোৰগোজ। তাৰ অৱস্থাটো বুজাৰ সলনি যুদ্ধংদেহি মনোভাৱেৰে সিহঁতে অবাইচ ভাষাত গালি-গালাজ আৰম্ভ কৰি দিলে। সহ্যৰ সীমা পাৰ হৈ ৰোৱাত সিও ল'ৰাজাকক দুই এটা টান কথা শুনালে। তাৰ পিচত কোনো কথা নাই। উন্মত্ত হৈ পৰা তাৰ পুতেকৰ বয়সীয়া ল'ৰাজাক এবাহ কেদো বৰলৰ দৰে তাৰ ওপৰত জাঁপিয়াই পৰিল। উপৰ্যুপৰি কিল আৰু ভুকুত সি প্ৰায় বাগৰি পৰিল। আৰু ঠিক তেনে সময়তে জাকটোৰ 'দাদা'ৰ ভাও লোৱা ল'ৰাজনে ৰমজানৰ মুখতে প্ৰচণ্ড ঘোচা এটা মাৰি দিলে। লগে লগে তেজৰ তীব্ৰ বেগী নিজৰা তাৰ দুই কোৱাৰি ফালি ডিঙি-বুকুৰ ওপৰেদি বৰলৈ ধৰিলে। খন্তেকৰ বাবে সি সন্মুখত কেৱল অন্ধকাৰহে দেখা পাইছিল। তাৰ পিচত সম্বিৎ পায়েই সি ঘৰলৈ দৌৰিবলৈ আৰম্ভ কৰিছিল। চকুৰ সন্মুখত তেতিয়া তাৰ কেৱল এখন মুখেই অগা-ডেৱা কৰিছিল। সেইখন মুখ চিকিৎসাৰ অভাৱত নবিয়া পাটিত নীৰৱে মৃত্যুৰ ক্ষণ গণি থকা তাৰ ঘৈণীয়েকৰ।

+ + +

'আদৰ্শৰ বেদীত সৰ্বস্ব ত্যাগ কৰিব নোৱাৰিলে আদৰ্শৰ মৃত্যু ঘটে।
যি কোনো দেশৰ সৎ মানুহবোৰে যেতিয়া সতৰ্ক দৃষ্টি ৰাখিবলৈ আৰু যুঁজিবলৈ এৰি দিয়ে, তেতিয়া অসৎ মানুহৰ ৰাজত্ব হয়।'

—পাৰ্ল বাৰ্ক।

# ॥ প্ৰতীক্ষাৰ অন্তত ॥

শ্ৰীকমল কুমাৰ কলিতা
২য় বাৰ্ষিক, স্নাতক মহলা।

এতিয়া কিমান বাজিছে ?………পাঁচটা … … চাৰে পাঁচটা … … …ছয়টা … … … চাৰে ছয়টা… …… মোৰ কোঠাৰ বিচনাত শুই থকাৰ পৰাই অনুমান কৰাৰ চেষ্টা কৰিছোঁ। দেউতাৰ তামোল খুন্দা খুন্দনা-টোৰ থক্-থক্ শব্দবোৰ এয়া মোৰ কাণত পৰিছেহি। মানে দেউতাৰ চাহ খোৱা শেষ হৈছে। পিৰালিত মায়ে দেউতাক তামোল খুন্দি দিছে।

তামোলখন মুখত গুজি দেউতা কান্ধত নাঙল খন লৈ অস্থি চৰ্ম সাৰ গৰু দুটা খেদি এতিয়া পথাৰলৈ খোজ লব। মোৰ মনলৈ আহিছে বহুৰাতি বিচনাত পৰাৰ আগতে ভবাৰ দৰে যোৱা কালি ৰাতিও ভাবিছিলোঁ ঃ এই বয়সত দেউতাক পথাৰলৈ যাবলৈ দিয়াতো অন্যায় হৈছে। দুৰ্ঘোৰ অন্যায়। এনেয়ে বহি থকাতকৈ অহা কালি পুৱাময়ে হালখন লৈ পথাৰলৈ যাম। লাজ কৰিবলৈ কিটো আছে……ভবা কথটো কাৰ্যত পৰিণত কৰিব নোৱাৰি মই এতিয়া গ্লানি অনুভৱ কৰিছোঁ। নিজৰ ওপৰত ধিক্কাৰ জন্মিছে।

মনলৈ আহিছে স্কুলীয়া কলেজীয়া দিনৰ কথা। প্ৰথম বিভাগতে হাইস্কুল শিক্ষান্ত পৰীক্ষা পাচ কৰাৰ পিচত দেউতাই কৈছিল—ডাক্তৰ হব পৰাকৈ কিবা এটা পঢ়। প্ৰয়োজন হলে ঘৰ-মাটি বন্ধকত থৈও তোক ডাক্তৰ কৰিম। দেউতাৰ মনৰ জোৰ আছিল, বুজি পাইছিলোঁ। কিন্তু বাৰ বিঘা খেতি মাটিৰ ফচলকে নিৰ্ভৰ কৰি জীয়াই থকা সাতজনীয়া পৰিয়াল এটিত সেয়া যে এক আকাশ কুসুম কল্পনা মুহূৰ্ততে বুজি পাইছিলোঁ। মনলৈ আহিছিল আবিয়ৈ হৈ মুক্তিৰ ক্ষণ গণি থকা গাভৰু ভনী তিনিজনীৰ কথা, দেউতাৰ শুকান বুগ্ন-ৰুক্ষ চেহেৰাটোৰ কথা, মাৰ চিন্তাক্লিষ্ট নিস্তেজ মুখখনৰ কথা, তিনিমাহে স্কুলৰ ফিজ দিব নোৱাৰি স্কুললৈ যাবলৈ এৰি দিয়া ক্লাচ টেনত পঢ়ি থকা ভাইটি মণ্টুৰ কথা … … … । দেউতাৰ ইচ্ছাক তিলমাত্ৰ সঁহাৰি নিদিয়াকৈ সেয়ে গাওঁৰ কলেজ খনতে নাম লগাই লৈছিলোঁ। মাৰ কাবো-কোকালিত মোমায়ে দিয়া টকা ডেৰশটাক সম্বল কৰি। তাৰ পিছত কলেজৰ ফিজ, কিতাপ-পত্ৰ, পোছাক পৰিচ্ছদৰ খৰচ উলিয়াবলৈ সহজলভ্য কাম হিচাবে বাছি লৈছিলোঁ গৃহ শিক্ষকৰ কাম—ৰাতিপুৱা এঘৰত আৰু সন্ধিয়া দুঘৰত। দিনবোৰ পাৰহৈ গৈছিল অধ্যয়ন, ব্যস্ততা, সংগ্ৰামৰ মাজেৰে। সময়ত পৰীক্ষাত বহিছিলোঁ। আশানুৰূপ নহলেও আন বহুতৰ তুলনাত ভালদৰেই উত্তীৰ্ণ হৈছিলোঁ। তাৰ পিছৰ পৰা আজি তিনি বছৰে অবিৰত সংগ্ৰাম চলিছে চাকৰিৰ সন্ধানত। এখন দুখনকৈ হিচাব নোহোৱাকৈ সবু বৰ বিভিন্ন চাকৰিৰ বাবে দৰখস্ত কৰিছোঁ—বিভিন্ন ঠাইত অফিচ-স্কুলত সাক্ষাৎকাৰত উপস্থিত হৈছোঁ বহুবাৰ। ধাৰ কৰি কৰি ধাৰৰ বাবে হাত পাতিবলৈ ঠাই নথকাত মাৰ সাঁচতীয়া হাতৰ কাণৰ দুয়োৰকো বন্ধকত থৈছোঁ। বণো দোকানীৰ পৰা সেই দুযোৰ আজিলৈতো উলিয়াব পৰা নায়ে—কেতিয়ালৈ উলিয়াব পৰা যাব তাৰো কোনো নিশ্চয়তা নাই। প্ৰথম প্ৰথম দেউতা আশাবাদী আছিল। প্ৰতিটো সাক্ষাৎকাৰৰ পিছতে পৰম আগ্ৰহেৰে সুধিছিল চাকৰিৰ সম্ভাৱনা, চাকৰিৰ প্ৰকৃতি আৰু ভৱিষ্যতৰ বিষয়ে। তাৰ পিছত ক্ৰমাৎৱয়ে

নোসোধা হৈছিল । দেউতাই হয় ধৰি লৈছিল এই দৰ্খাস্ত কৰা, সাক্ষাৎকাৰ আদি সকলো ভেকোভাওনা অথবা মই এক নশ্বৰ অপদাৰ্থ । দেউতাৰ কি ধাৰণা সেইটো অৱশ্যে মই আজিও বুজিব পৰা নাই । বুজিমনো কেনেকৈ ! আজি বহুদিন দেউতাৰ লগতে একেলগে খাবলৈতো বহাই নাই, আনকি দেউতাৰ মুখখনো দেখা নাই । আচলতে কবলৈ গ'লে দেউতাৰ মুখখন চাবলৈ মোৰ ভিতৰৰ সাহসকণ কেতিয়াবাই হেৰাই গ'ল ।

……… কালি যে বকুল তল গাওঁৰ পৰা মানুহ জন আহিছিল ছোৱালী যাচিবলৈ ! দেউতাই বা তেওঁক কি কৈ পঠিয়ালে ! দেউতাই যিয়েই নকওক মানুহ-জনৰ ওপৰত মোৰ কিন্তু খং উঠিছিল । তোমাৰ ছোৱালী ৰাখিব নোৱাৰা হৈছা—কৰবাত বিয়া দিয়াগৈ । কিন্তু মোক অপমান কৰিবলৈ আহা কিয় ? মই কিবা ছোৱালীৰ অভাৱত বিয়া নকৰাকৈ আছো নেকি ? ছোৱালীজনীৰ নামটো বা কি আছিল ! বীণা, তৰুলতা, অলকা, যমুনা জাতীয় কিবা এটা হব পাৰে । নামটো যিয়েই নহওক, মোলৈ যাচিবলৈ অহাটো চাই অনুমান হয় তাই নিশ্চয় পঢ়া ছোৱালী হব । কমেও মেট্ৰিক পাছ নাইবা ফেইল । ছোৱালীজনী হয়তো বৰ ধুনীয়াও হব পাৰে । হয়তো পমিলাৰ নিচিনা । পমিলা পিছে স'চাই ধুনীয়া আছিল । পিছে এতিয়া তাইও হয়তো আগৰ দৰে ধুনীয়া হৈ থকা নাই ।

… . … … এই পমিলা জনীৰ লগত যে মোৰ কিমান দিনৰ চিনাকী ! আজিও মনত পৰে সেই তাহা-নিতে জাবৰ্ণিৰ মাজে মাজে গৈ বিলত বৰশী বোৱাৰ কথা । তেতিয়া মোৰ কঁকালত এটা খাকী কাপোৰৰ বুটাম এৰাই যোৱা হাফ্‌পেণ্ট । পেণ্টতোৰ ওপৰেদি ম'হৰ নাকীৰ দৰে এডোখৰ ৰচী নহলে যে পেণ্টটো ক'কালৰ পা সুলকি যায় । গাত এটা মলিয়ন গেঞ্জী । গেঞ্জীটো দেখিলে চিনিবৰ উপায় নাছিল কিনোতে সিটো বগা নে মুগা বৰণৰ আছিল । পেণ্টটো কিন্তু খাকী ৰঙৰে আছিল । দেউতাই আকৌ মোক তেতিয়া খাকী ৰঙৰ হাফ্‌পেণ্টহে কিনি দিছিল, যাতে মাটিয়ে-বালিয়ে বহি ফুৰিলেও বিশ্ৰী নহয় । পমিলাৰ চকু-দুটা ধুনীয়া সৰু-সৰু আছিল । মূৰত ঈষৎ ৰঙা একোছা চুলি । কৈশোৰে চুই যোৱা দেহাটো ঢাকিবলৈ তাই ৰঙা-ৰঙৰ ফ্ৰক এটা আৰু কঁকালত নীলা ৰঙৰ হাফ্‌ পেণ্ট এটা পিন্ধিছিল । বৰশী বোৱা কাৰণে লগৰ ছোৱালীবোৰে তাইক ল'ৰা বুলি জোকাইছিল । জাবৰ্ণিৰ মাজে মাজে গৈ আমি বিলত একেলগে মাছ ধৰিছিলোঁ । অহিৰৰ সময়ত তাইৰ ভাগত মাছ-বেছিকৈ দিছিলোঁ । আমি একেলগে কাবাডী, দৌৰা-দৌৰি, লুকা-ভাকুও খেলিছিলোঁ । আচলতে সেইবোৰ ঠিক কোনো খেলা নাছিল । কিছুমান অনৰ্থক হৈ-চৈ । আমাৰ মিল দেখি লগৰবোৰে আমাক ধেমালিতে গৈয়েক-ঘৈণীয়েক বুলি জোকাইছিল । সেই ধেমালিতে জোকোৱা কথাটো কিন্তু সমূলি মিছা নাছিল । যৌৱনৰ দুৱাৰ দলিত থিয় হৈ দুয়ো সচাঁকৈয়ে অনুভৱ কৰিছিলোঁ যে আমি পৰস্পৰে পৰস্পৰক ভাল পাওঁ আৰু দুয়ো লগ লাগি ঘৰ এখন সাজিবলৈ পালে সুখী হ'ম । কিন্তু আমাৰ সেই ভাল পোৱা, ঘৰ সজাৰ সোণালী পৰিকল্পনাই বাস্তৱ ৰূপ নাপালে । মই বি, এ, পাছ কৰি ওলোৱাৰ আগতে পমিলাৰ পি, ডাব্লিউ, ডি, ৰ কেৰাণী এজনৰ লগত বিয়া হৈ গ'ল । পমিলাৰ হাজাৰ কাকুতি আৰু চকুপানীয়ে বাপেকৰ মন টলাব নোৱাৰিলে । আমি মনে সজা ঘৰখন তেনেকৈয়ে বালি ঘৰৰ দৰে ভাঙি গ'ল ।

এয়া দেউতাই টান গলাৰে কাবোবাক কিবা কৈছে । দেউতাই আজি-কালি ভাইটোক কিবা ক'লেও মোকে কোৱা যেন লাগে । তাৰ যে আজি-কালি কি হৈছে ! ভাবিছিলোঁ ঃ কিবা এটা চাকৰি পালে তাক পুণৰ স্কুলত নাম লগাই দিম । হাইস্কুলৰ দেওনা পাৰ হলে কলেজত নাম লিখি দিম বুলিও কৈছিলোঁ । আগতে একো নক'লেও আজি-কালি কিন্তু সি মাৰ আগত মুখ ফুটাই কয়, সি হোনো আৰু পঢ়া-শুনা নকৰে ।

কাৰণ স্কুল-কলেজৰ পঢ়া-শুনাই যে তাক পেটৰ ভাত মুঠি দিব নোৱাৰে সেইটো সি ককায়েকৰ জীৱনতে দেখা পাইছে। গতিকে প্ৰয়োজন হলে সি চোৰ কৰিব, পকেট মাৰিব, তথাপি পঢ়া-শুনা নকৰে। খুজি-মাগি এতিয়াও তাক পঢ়ুৱাৰ আশা পোষণ কৰি থকা মাই তাৰ কথা বিলাক মোৰ আগত কলে মোৰ খং নুঠে। বৰং নীৰৱে তাৰ যুক্তি বিলাক, তাৰ ক্ৰোধখিনি বিশ্লেষণ কৰাৰ চেষ্টা কৰি চাওঁ।

কেতিয়াবা খং উঠে দেউতালৈ। তুমিও দেখোন কংগ্ৰেছ কৰিছিলা। স্বৰাজ বিচাৰিছিলা। পুলিচৰ লাঠিৰ কোব, বুট জোতাৰ গোব তোমাৰ দেহাৰ দুই এঠাইত এতিয়াও মৰা তেজ হৈ আছে। পেঞ্চন পোৱাটো দূৰৰে কথা, তোমাক দেখোন আজি-কালি কোনো এম, এল, এ মন্ত্ৰীয়ে চিনিকে নাপায়। অথচ তোমাৰ লগতে জেল খোৱা বহুতো মানুহ বোলে মন্ত্ৰী হ'ল, ডাঙৰ খিতাপ পালে। কিন্তু তুমিতো সেইবোৰ নাপালাই, তোমাৰ ল'ৰা হৈ মই চাকৰি এটাও নাপাওঁ কিয়? দেশৰ মানুহৰ কাৰণে বাবু স্বাধীনতা বিচাৰিছিলা। কিন্তু নিজৰ বাবে একো নকৰিলা কিয়? স্বৰাজ নকৰি চোৰাং বেপাৰ কৰা হলে কিমান টকাৰ মানুহ হ'লা-হেঁতেন কেতিয়াবা ভাবি চাইছা জানো? সেইকণ বুধিও তোমাৰ মনত নেখেলিলেনে? কিমান আক্ষেপত কিমান দুখত এইবোৰ প্ৰশ্নই মনত গুজৰি-গুমৰি থাকে তোমাক খুলি কব পৰা হলে হয়তো মোৰ অন্তৰটো বুজি পালাহেঁতেন দেউতা!

এয়া দেউতাৰ মাতটো লাহে লাহে টান হৈ আহিছে। আজি কালি দেউতাই ভনীকিটাকো হোৱাই নোহোৱাই বেছিকৈ বকিবলৈ লৈছে। এয়া মাৰ আগত অৰণ্যে ভাইটোকে বকিছে। সি কালিয়ে চহৰলৈ গৈ ঘূৰি অহা নাই। বলো দোকানিৰ পৰা ধান এমোনৰ দাম লৈ গৈছে। দোকানীয়ে আৰৌলি ধান বিচাৰি অহাতহে দেউতাৰ গা জ্বলি গ'ল। দেউতাই তাক বকিলে কি হব। তাৰ গাত দোষ কি। তুমি ভাবিছিলা আমি ডাঙৰ মানুহ হ'ম। ভাল মানুহ হ'ম। হব নোৱাৰিলো। মানুহে ভৰা কথা কেইটানো সঁচা নহয়। মই ভৰাবোৰ চোন একো একো হোৱা নাই। 'মন কৰিলেই চন হয়'—তোমালোকৰ এই নীতি বচন ফাঁকিত হয়তো কেনেবাকৈ ভুল থাকি গল। মন কৰিলেই চৰ কৰিব নোৱাৰি। ডাঙৰ মানুহ হোৱাৰ কথা ভাবিছিলা, ক'তা, নহলো দেখোন! এটা সময়ত ভাবিছিলো, ধনী হ'ম। মোৰ বহুত টকা হব। হেজাৰ হেজাৰ টকা। ক'তা, এতিয়া মোৰ গাবুৰ তলত দেখোন এটা টকাও নাই। টিউশ্যন দুটাৰ টকাতো যোৱা সপ্তাহতে শেষ হৈ গৈছে ‥ — … …।

আগতে কেতিয়াবা, সপোন দেখিছিলো—আইনৰ পৰীক্ষা পাছ কৰি উকিল হৈছো। মোৰ গাত টোৰিলিনৰ কলা কোট পেণ্ট টাই। মোৰ সোঁহাতে বাওঁহাতে মক্কেল ঃ 'ছাৰ, যেনে-তেনে জীকাই দিব লাগিব।' 'মোৰ ফিজটো দিয়া … … ‥ … নাই, দুইশ টকাই নহব। আৰু এশ দিয়া। অহা তাৰিখত বাকী সাক্ষী কেইজনো লৈ আহিবা। … … … কেছো নহয়, তাক বগা ঘৰৰ ভাত খুৱাইহে এৰিম। অমুকাই যেই সেই কেচ নলওঁ।' কল্পনাত দেখা পাওঁ অকাট্য যুক্তিৰে হাকিমক প্ৰত্যয় নিয়াই বিপৰীত পক্ষক জেল খুৱাইছোঁ। লগে লগে মোৰ নাম ফাটি ফুটি গৈছে। বিজিত পক্ষই বহুতকে মোৰ হৈ কৈ ফুৰিছে ঃ তেওঁ হাকিমৰ কলমত ধৰি বিচাৰৰ ৰায় লিখাব পাৰে … … … …

কেতিয়াবা কল্পনাত নিজে বিৰাট গেলামালৰ দোকানৰ মালিক হৈ বহি থকাও দেখা পাইছিলো। মোৰ দোকানত যেন গ্ৰাহকৰ ভিৰ। আহিছে-বস্তু লৈছে-গৈছে! কৰ্মচাৰী সকলে বস্তু দি ভত্ পোৱা নাই। গুদামত চাউল চেনি ভৰ্তি। এক পেকেট চাৰমিনাৰ চিগাৰেটতে কোম্পানীৰ ৰেটৰ ওপৰত আঠ অনা লাভ।

টকাইহে টকা আনে । দোকানৰ লগতে মোৰ ঠিকাকে ধৰি আন আন আৰু কেবাটা ব্যৱসায় । মোৰ যেন দোকানৰ হিচাবে লব নোৱাৰা অৱস্থা । সপ্তাহত কোনো মতেহে এবাৰ যাওঁ । গোমোস্তাজন বিশ্বাসী মানুহ । তথাপিও যেন দেউতাক কৈছোঁ ঃ দেউতা, তুমি এতিয়াও হালখন লৈ কিয় টনা আজোৰা কৰি মৰিছা । মোৰ ইমানবোৰ টকা ! তুমি এই বয়সত কষ্ট কৰিবা কিয় ? এইবোৰ কৰাতকৈ এবাৰ দোকানতে বহিব পাৰ দেখোন । মইতো বহি থাকিব নোৱাৰো জানাই দেখোন মোৰ আন আন বহুতো লেঠা ... ... । মোৰ কথা শুনি দেউতাৰ শুকান মুখখনতো যেন সন্তুষ্টিৰ মিঠা হাঁহি বিৰিঙিছে ... ... ... । এই সপোনবোৰ পিছে আজি কালি আৰু নেদেখো । চেতন অৱচেতন মনে ভালদৰে বুজি পাইছে—এইবোৰ মাথো অবান্তৰ কল্পনা । অৱশ্যে আজি কালিও মাজে মাজে ক্ষীণ আশা এটা কৰোঁ—হাকিম নালাগে, মাস্টৰ নালাগে, কেৰাণী নালাগে পিয়ন চাপ্ৰাছীৰ চাকৰি এটা পোৱা হলেও ... ... । পিচে সেই আশাও অতি ক্ষীণ বাবে মাক বহুদিন কৈছো মোক যেন খুব ৰাতিপুৱাতে জগাই দিয়ে-- মই যেন কোনেও নো উঠোতেই হালখন লৈ পথাৰলৈ যাব পাৰো । তেনেকৈ কলে মাই একো নকয় । ওচৰৰ পৰা নীৰৱে আতৰি যায় । সম্ভৱ হাকিম উকীল হব বুলি আশা কৰি থকা পুতেকৰ ইমান সোনকালে এই ৰূপত চাবলৈ মাতৃ স্নেহে তেওঁক বাধা দিয়ে ।

বহুত সময় হল দেউতাৰ মাত শুনা নাই । হয়তো পথাৰলৈ গ'ল ইমান পৰে । এতিয়া বাৰু কিমান বাজিছে । ঘড়ীটো বেয়া হোৱা দুমাহহে হ'ল কিজানি । তাৰ কল-কজাবোৰত মামৰে নধৰাকৈ আছেনে ? ওচৰৰ মৰমীহঁতৰ ৰেডিঅ'ত এয়া গীতি-মালিকাৰ গান বাজিছে । তেনেহলে চাৰে আঠ বাজি গ'ল । মানে আৰু এটা দিনৰ মৃত্যু-প্ৰক্ৰিয়া আৰম্ভ হৈ গৈছে । এই দিনটো ধৰি ৰাখিব পৰা নাযায় নে ? সৰু ভনীজনীয়ে সজাই থোৱা চাহ কাপ ( মই জানো, এইখিনি পৰত তাই সদায়ে ৰঙা চাহ এবাটি আৰু লগতে ভজা চাউল আধাপ্লেটমান অথবা শুকান কৰকৰীয়া ৰুটি এটুকুৰা সযতনে মোৰ বাবে সাজি থয় ) খাই পথাৰলৈ যাব নোৱাৰি নে ? হঠাৎ এয়া মই চকুৰ সমুখত যেন দেখা পাইছো এক উজ্জ্বল পোহৰ—যি পোহৰত মোৰ কোঠাৰ সমস্ত পৰিধি আগুৰি ইষৎ আন্ধাৰখিনিও যেন পোহৰ হৈ উঠিছে ।

*****

# —মৌন ক্ৰন্দন—

মিচ্ ডালিমী বড়ো
১ম বাৰ্ষিক, স্নাতক মহলা।

বাতৰি কাকতত কিছুদিন আগতে খবৰটো পঢ়িছিলো যদিও খবৰটোৱে তেতিয়া মনত কোনো বিশেষ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পৰা নাছিল। তেনে খবৰ বাতৰি-কাকতত সদায় এটা নহয় এটা ওলায়ে থাকে আৰু এই খবৰটোও তেনেকুৱা খবৰৰ লগৰে এটা বুলি নিৰ্লিপ্ততাৰে গ্ৰহণ কৰিছিলোঁ মাথোঁ।

কিন্তু আজি উৎপলাক লগ পোৱাৰ পিচত সেই খবৰটোৱে এপাত তীব্ৰ বেগী কাড়ৰ দৰে মোৰ বুকুৰ কোনোবা খিনিত আঘাত কৰিছিল। এক অনামী বেদনাত মনটো বিষাই উঠিছিল। উৎপলাৰ পৰা সকলো খিনি শুনিও মনে যেন বাতৰিটোৰ সত্যতা মানি লব খোজা নাছিল।

উৎপলা মানে মোৰ বান্ধৱী উৎপলাই কৈছিল ঃ 'তই চাগে এতিয়া আচৰিত হৈছা বাতৰি কাকতত ৰহস্য-জনক ভাবে মৃত্যু হোৱা বুলি প্ৰকাশ পোৱা সবিতা চৌধুৰী নামৰ মহিলা গৰাকী আমাৰ বান্ধৱী সবিতা বুলি জানি।'

এৰা, মই আচৰিত হৈছিলোঁ। কল্পনা কৰিব নোৱাৰা ঘটনা এটা ঘটিলে মানুহ যেনেদৰে আচৰিত হয় ঠিক তেনেদৰে ময়ো আচৰিত হৈছিলোঁ। উৎপলাই কোৱা দৰে মোৰো ধাৰণা হৈছিল, এয়া হয়তো এক সুপৰিকল্পিত হত্যাকাণ্ড।

মোৰ মুক বিস্ময়াভিভূত মুখখনত দৃষ্টি নিবদ্ধ কৰি থকা উৎপলাৰ মুখলৈ চাই থাকোতে মনলৈ আহিছিল আমাৰ দুগৰাকীৰ লগত গাৰ ছাঁয়াৰ দৰে লাগি থকা বান্ধৱী সবিতাৰ কথা। মনৰ দাপোণত প্ৰতিফলিত হৈছিল হেৰাই যাব খোজা অতীতৰ কেইটামান পখিলা পাখিলা যেন লগা ৰঙীন বছৰ।

…… তেতিয়া আমি আটাইকেইজনী সন্দিকৈ মহাবিদ্যালয়ৰ ছাত্ৰী। একেটা হোষ্টেলৰ একেটা কোঠাতে থাকো। আটাইকেইজনী কৈশোৰ পাৰ হৈ যৌৱণৰ দুৱাৰদলি গছকিছোঁ। চকুত ৰঙীন সপোন। মনত সপোনক বাস্তৱত ৰূপ দিয়াৰ দৃঢ় পৰিকল্পনা। ক্লাছলৈ যোৱা, ফুৰিবলৈ যোৱা, 'ডাইনিং হল'লৈ ভাত খাবলৈ যোৱা আনকি 'বাথৰুম'লৈ গাধুবলৈ যোৱাতো এজনীয়ে যেন আনজনীৰ লগ এৰিব খোজা নাছিলোঁ। গতিকে স্বাভাৱিকতে আমাৰ মাজতে মনৰ আৰ-বেৰ প্ৰায় নাছিল বুলিয়ে কব পাৰি। নিজৰ নিজৰ সৰু বৰ সকলো সমস্যাকে আমাৰ মাজত আলোচনা কৰিছিলোঁ আৰু সমাধানো কৰিছিলোঁ। এনেকুৱা ক্ষেত্ৰত সদায় লক্ষ্য কৰিছিলোঁ সবিতা যেন আমাতকৈ বহুত বেলেগ সমস্যা সম্যক ভাবে বুজা আৰু ক্ষীপ্ৰতাৰে তাৰ সমাধান উলিওৱাত সবিতা যেন আমাতকৈ বহুত ওপৰত। বুজি পাইছিলোঁ, তাইৰ মনৰ দৃঢ়তা আমাতকৈ বহুত বেছি। দ্বিধাগ্ৰস্ততা আছিল তাইৰ স্বভাৱবিৰুদ্ধ।

এটি এটিকৈ কলেজীয়া দিনবোৰ অতিবাহিত হৈ আছিল। প্ৰতিটো দিনেই যেন আমাৰ বাবে লৈ আহিছিল হাঁহি—কেৱল হাঁহি আৰু ৰং। সময়ত আটাই-

কেইজনীয়ে আশানুৰূপভাবে উত্তীৰ্ণ হৈ স্নাতক মহলাত অধ্যয়ন আৰম্ভ কৰিছিলোঁ। উৎপলা আৰু মই ক্ৰমে অৰ্থনীতি আৰু অসমীয়াত অনাৰ্চ লৈছিলোঁ আৰু সবিতাই অনাৰ্চ লৈছিল ইংৰাজীত । প্ৰথম বাৰ্ষিকৰ পৰীক্ষাত উত্তীৰ্ণ হৈ আটাইকেইজনী দ্বিতীয় বাৰ্ষিক পাইছিলোঁ। ঠিক তেতিয়াই সবিতাৰ জীৱনত এচাটি ধুমুহা বলিছিল। সবিতাই ইতিমধ্যে আমাক তাইৰ মনৰ গোপণ ডাইৰীৰ পাত এখিলা দেখুৱাইছিল। তাত দেখা পাইছিলোঁ উদাৰ দৃষ্টিসম্পন্ন এক সংগ্ৰামী যুৱকৰ ছবি—যাৰ নাম আছিল শৰত ভূঞা। সবিতাই কৈছিল—জীৱনত কেতিয়াবা যদি তাই বিয়া কৰায় তেনেহলে তাই শৰতকে বিয়া কৰাব, নহলে কেতিয়াও বিয়াকে নকৰায়—সমাজৰ কাম কৰিয়ে জীৱনটো পাৰ কৰি দিব। আমি বুজিছিলো—সবিতাৰ মুখৰ সেই কথা তাইৰ জীৱনটোৰ দৰে সঁচা। তাই শৰতক বিয়া কৰোৱাৰ সেই ভীষ্ম প্ৰতিজ্ঞা কিয় লৈছিল তাকো আমাৰ আগত কৈছিল । তাইৰ কথাৰ পৰা বুজিছিলোঁ শৰত নামৰ সেই যুৱকজন কেৱল তাইৰ চুবুৰীয়াই নাছিল—স্কুলৰ সহপাঠীও আছিল । আঢ্যৱন্ত পৰিয়ালৰ একমাত্ৰ সন্তান যদিও তাৰ চৰিত্ৰত আছিল অগতানুগতিক এক বৈশিষ্ট্য—শোষিত নিপীড়িত সকলৰ প্ৰতি এক নিৰ্ভেজাল সহজাত দৰদ। সেয়ে প্ৰায় এশ বিঘা খেতি মাটিৰ মালিক তাৰ দেউতাকে প্ৰায় প্ৰতি বছৰে যেতিয়া বানপানী, খৰাংবতৰ আদিৰ বাবে ভালদৰে খেতি কৰিব নোৱাৰা আধি-খোৱা খেতিয়ক সকলৰ পৰা জোৰ জবৰদস্তিকৈ ফচল আদায় কৰাৰ চেষ্টা চলাইছিল তেতিয়া তাৰ ভিতৰৰ মানুহটোৱে বিদ্ৰোহ কৰি উঠিছিল। দেউতাকক বাৰ বাৰ বাধা দিছিল। অলপ সহানুভূতিৰে ৰ'দত পুৰি বৰষুণত তিতি শ্ৰম কৰা অস্থিচৰ্মসাৰ খেতিয়কবোৰৰ অৱস্থাটো চাবলৈ অনুৰোধ কৰিছিল। তাৰ অৱশ্যম্ভাৱী ফলস্বৰূপে সি হৈ পৰিছিল দেউতাকৰ ক্ৰোধ আৰু ঘৃণাৰ পাত্ৰ। আফচোচ্ অৱশ্যে তাৰ তিলমাত্ৰও নাছিল সেইবাবে। দেউতাকে তাক খং কৰাৰ আন কাৰণো আছিল । স্কুলত ওপৰৰ শ্ৰেণীত পঢ়াৰ দিনৰে পৰা সি কৃষক আৰু অন্যান্য শ্ৰমিক সংগঠনৰ কামত নিজকে নিয়োজিত কৰিছিল। সবিতাই আমাক কৈছিল—বানপানী, মহামাৰী আদিয়ে যেতিয়া দাঁতি-কাষৰীয়া গাঁৱে-ভূঁৱে তাণ্ডৱলীলা আৰম্ভ কৰে তেতিয়া হেনো তাৰ ভিতৰৰ মানুহটোও সাৰ পাই উঠে। দিনৰ পিচত দিন সাহায্যকাৰী সংগঠন সমূহৰ লগত সি পাৰ কৰি দিছিল আক্ৰান্ত অঞ্চলবোৰত । আৰু সমাজ সেৱাত সদা আগৰণুৱা সবিতাই বোলে এনেবোৰ দিনতে তাক ভাল পাই পেলাইছিল নিজে গম নোপোৱাকৈয়ে। শৰতৰো আছিল সেই একেই প্ৰতিক্ৰিয়া । শৰতেও তাইক বহুৱাই লৈছিল মনৰ নিভৃত স্থানত। পৰস্পৰে পৰস্পৰৰ ওচৰত প্ৰতিশ্ৰুতও হৈছিল জীৱনৰ একেটা বাটেৰে আগবাঢ়ি যোৱাৰ । সময় পাৰ হৈ গৈছিল। স্কুলৰ শিক্ষান্ত পৰীক্ষাত দুয়ো কৃতিত্বৰে উত্তীৰ্ণ হৈছিল । সবিতায়ো প্ৰথম বিভাগ পাইছিল ; কিন্তু শৰতে প্ৰথম বিভাগৰ লগতে তিনিটা বিষয়ত 'লেটাৰ' লৈ প্ৰতিযোগিতামূলক বৃত্তিও লাভ কৰিছিল। কিন্তু শৰতৰ ইমান কৃতিত্বয়ো দেউতাকক তাৰ প্ৰতি সদয় কৰিব পৰা নাছিল। বৰং শৰতৰ কৃষক-অনুৰাগ প্ৰতি ক্ৰমে বাঢ়ি অহা দৰদ লক্ষ্য কৰি দেউতাকৰ তাৰ প্ৰতি ক্ৰোধ আৰু ঘৃণা ইমানে বাঢ়ি গৈছিল যে তেওঁ তাক অৱশেষত শেষ কথা শুনাই দিছিল—হয় সি তেওঁৰ মতে চলিব লাগিব—অৰ্থাৎ জোৰ জবৰদস্তিকৈ খেতিৰ ফচল আদায় কৰা কামত তেওঁক সহায় কৰাৰ লগতে সি কৰি অহা সামাজিক কাম-কাজবোৰ বাদ দি সা-সম্পত্তি ৰক্ষণাবেক্ষণ দিয়া আৰু অন্যান্য ব্যৱসায়ত তেওঁক সহায় কৰিব লাগিব—নহয় সি ঘৰৰ পৰা ওলাই যাব লাগিব। প্ৰচণ্ড জেদী আৰু আত্ম-সম্মান-সচেতন শৰতে দেউতাকে দিয়া বিকল্পটোকে গ্ৰহণ কৰিলে । প্ৰচুৰ সা-সম্পত্তি আৰু মাকৰ হিয়াভৰা আদৰ-চেনেহৰ মায়া পৰিত্যাগ কৰি সি ৰিক্ত হাতে ওলাই আহিল ৰাজপথলৈ। উপস্থিত হ'ল গুৱাহাটীত । সংগ্ৰাম চলিল জীয়াই থকাৰ । কিন্তু বেচি দিন নহয়। মেধা আৰু অন্যান্য যোগ্যতাৰ বলত অতি সোনকালে সি গুৱাহাটীৰ কেছাৰীঘৰত কেৰাণীৰ চাকৰি এটা যোগাৰ কৰি ললে।

তাৰ লগে লগে চলি থাকিল শোষিত নিপীড়িত সকলৰ কাম। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিচত সবিতায়ো সুদূৰ উত্তৰ লক্ষীমপুৰৰ পৰা গুৱাহাটীলৈ আহিছিল কলেজীয়া শিক্ষাৰ বাবে। বিধাতাই যেন দুয়োকো আকৌ লগ লগাইহে দিছিল!

স্নাতক মহলাৰ দ্বিতীয় বাৰ্ষিকত পঢ়ি থাকোতে যিচাটি ধুমুহা সবিতাৰ জীৱনত বলিছিল তাৰ উৎস আছিল ধুমকেতুৰ দৰে তাইৰ পাণি-প্ৰাৰ্থনা কৰি উপস্থিত হোৱা পি, ডব্লিউ, ডি, ৰ ইঞ্জিনীয়াৰ শঙ্কৰ গোস্বামী। পাচঁ বছৰ চাকৰি কৰিয়ে গুৱাহাটী মহানগৰীত নিজা ঘৰ-মাটি কৰা, চিক্ চিকিয়া ফিয়েট্ গাড়ীত ঘূৰি ফুৰা একেখন ঠাইৰ একে জাতৰ শঙ্কৰক অৱশ্যে তাইৰ মাক দেউতাকে তাইৰ বাবে অতি উপযুক্ত বুলিয়ে বিবেচনা কৰিছিল আৰু বিয়াখন অতি সোনকালে পতাৰ বাবে উঠি পৰি লাগিছিল। চিঠিৰে তাইক জনোৱাত তাই একেষাৰ কথাতে মাক-বাপেকৰ সেই প্ৰস্তাৱ প্ৰত্যাখান কৰিছিল। তাৰ পিচত মাকৰ 'চিৰিয়াছ' বুলি টেলিগ্ৰাম কৰি ঘৰলৈ মাতি নি সেই একে কথাতে দোহাৰাত খঙে তাইৰ চুলিৰ আগ পাইছিল। নক'ম বুলি ভাবি থাকিও খঙৰ ভমকত তাই মনৰ কথা সদাৰি কৰি দিছিল—তাই বিয়া কৰাব, কিন্তু শঙ্কৰক নহয় শৰতক। কেৰাণী কৰিলেও আৰু তাইতকৈ নীচ কুলৰ হলেও তাইৰ আপত্তি কৰিবলগীয়া একো নাই। মানুহ হিচাবে শৰত শঙ্কৰতকৈ বহুত ওপৰত। তাই এই শেষ কথা নিজৰ ঘৰখনকে নহয়, তাইক চাবলৈ যোৱা শঙ্কৰৰ ঘৰৰ মানুহকো কৈ সেইদিনাই নৈশ বাছত গুৱাহাটী পাইছিল আৰু অলপো পলম নকৰাকৈ শৰতক লগ ধৰি 'কোৰ্টমেৰেজ' কৰিছিল। সিদ্ধান্তত সদায়ে অলৰ-অচৰ সবিতাই সেইদিনা আবেলি 'কোৰ্টমেৰেজ'ৰ পিচত শৰতক লগত লৈ আহি হোষ্টেলত আমাক যেতিয়া লগ কৰিছিল আমি হতবাক হৈছিলোঁ, আচৰিত কিন্তু হোৱা নাছিলোঁ। সবিতাক জানিবৰ আমাৰ বাকী নাছিল।

বিয়াৰ পিচত সবিতাৰ পঢ়াৰো ইতি পৰিল। শৰতৰ চাকৰিৰ বদলিৰ লগে লগে সবিতায়ো হোষ্টেল এৰি শৰতৰ লগতে গুচি গৈছিল ধুবুৰীলৈ। তাৰ পৰা সবিতাই আমাৰ লগত চিঠিৰে যোগাযোগ ৰাখি আছিল আমি হোষ্টেলত থকা দিন কেইটাত। তাইৰ ছোৱালী এজনী জন্ম পোৱা কথাটোও সেই সময়তে গম পাইছিলোঁ। কিন্তু মোৰ বিয়া হৈ যোৱাৰ পিচত আৰু বি, এ, পাচ কৰি উৎপলাই দিল্লী বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ যোৱাৰ পিচত আমাৰ মাজৰ যোগসূত্ৰ স্বাভাৱিকতে ক্ৰমে শিথিল হৈ আহিছিল। এবাৰ বহুদিনৰ বিৰতিত লিখা এখন চিঠিত সবিতাই লিখিছিল—ধুবুৰী চহৰতে হেনো অকমানি ঘৰ এটা সাজিছে। ঠাইডোখৰ ভাল লাগিছে; স্থানীয়ভাবে তাতেই থকাৰ ইচ্ছা। তাইৰ সেই চিঠিখন পঢ়ি ভাল লাগিছিল। মাক-দেউতাক, আত্মীয়-স্বজন সকলোৰে মৰমৰ পৰা বঞ্চিত হৈ অৱশেষত সুদূৰৰ এঠাইত তাই কটাব খোজা নিৰিবিলি সংসাৰ এখনৰ ছবি মনতে আঁকি লৈ তৃপ্তি পাইছিলোঁ। কিন্তু সেই তৃপ্তিৰ আমেজ শেষ নোহওঁতেই সবিতাৰ চৰম দুৰ্ভাগ্যৰ বতৰাই মোৰ দুচকুতো চকুলোৰ বন্যা নমাইছিল। বাতৰিটো পোৱাৰ পিচত মনক কোনোমতে প্ৰবোধ দিব নোৱাৰি তাইৰ ওচৰ পাইছিলোঁ। সেয়া আছিল এক অবৰ্ণনীয় দৃশ্য। কোনো দিন কোনো বিপদত ভাগি নপৰা সবিতা যেন ভাগিচিগি চুৰমাৰ হৈ গৈছিল। অসীম কষ্টেৰে কৈছিল ঃ 'মোৰ চব শেষ হৈ গ'ল বন্দনা।' সবিতাই হয়তো ঠিকেই কৈছিল। যাক অবলম্বন কৰি ঘৰবাৰী, আত্মীয়-স্বজন সকলো জলাঞ্জলি দি সবিতা ওলাই আহিছিল সেইজন শৰতৰ অবিহনে সবিতাৰ সকলো শেষ হৈ যোৱাৰে কথা।

সেই নিৰ্মম ঘটনাৰ কিছুদিন পিচলৈ সবিতাৰ খবৰ পাইছিলোঁ। শৰত ভূঞাৰ আততায়ীক ধৰিবলৈ পুলিছে জোৰ তদন্ত চলাই আছে, ধৰিব পৰা নাই। কিন্তু তাৰ পিচত কি হ'ল—আততায়ীক ধৰিব পাৰিলে নে নাই গম পোৱা নাছিলোঁ। সবিতাই কিছুদিনলৈ চিঠিৰে যোগাযোগ ৰাখি আছিল যদিও পিচলৈ একেবাৰে নৰখা হ'ল। এবাৰ তাইৰ তালৈ যাম বুলি মনেৰে ঠিক কৰিছিলোঁ। কিন্তু মোৰ গৃহস্থৰ চাকৰি স্থান

হঠাতে অসমৰ বাহিৰলৈ পৰিৱৰ্তন হোৱাত মনৰ সেই ইচ্ছা পূৰণ নহ'ল।

তাৰ পিচত অসমলৈ পুনৰ ঘূৰি অহাৰ আগতে পাৰ হৈ গৈছিল সুদীৰ্ঘ পাঁচটি বছৰ অসমৰ বাহিৰত। নিজৰ সংসাৰৰ ব্যস্ততাৰ মাজত আৰু সুদূৰত থাকিব লগীয়া হোৱাত সবিতাৰ কথা কেতিয়াবাহে মনলৈ আহিছিল। তথাপি মাজতে দুই চাৰিখন চিঠি তাইলৈ লিখিছিলোঁ। কিন্তু তাইৰ পৰা কোনো প্ৰত্যুত্তৰ নোপোৱাত স্বাভাৱিকতে মোৰ চিঠি লিখাৰ আগ্ৰহতো চেঁচা পানী পৰিছিল।

কিন্তু উৎপলাক আজি লগ পোৱাৰ পিচত বুজি পাইছিলোঁ সবিতাৰ পৰা কিয় মই চিঠিৰ উত্তৰ পোৱা নাছিলোঁ। উৎপলাই কৈছিল আমি হেনো অসমৰ বাহিৰলৈ যোৱাৰ কিছুদিন পিচতে সবিতাই তাইৰ ধুবুৰীৰ ঘৰ মাটি বিক্ৰী কৰি ছোৱালীজনীক বুকুত বান্ধি তেজপুৰলৈ গুচি আহিছিল। তাত তাই এজন সম্পৰ্কীয় মোমায়েকৰ সহায়ত প্ৰাইমাৰী স্কুল এখনত সোমাই টুকুটাককৈ চলি গৈছিল। তেতিয়াও বোলে আন এগৰাকীৰ পাণি গ্ৰহণ কৰি দুটি সন্তানৰ পিতৃ হোৱা শঙ্কৰ গোস্বামী নামৰ মানুহজনে তাইক বিয়া কৰোৱাৰ প্ৰস্তাৱ আগবঢ়াইছিল। কিন্তু অজস্ৰ ক'লা কথা মানুহৰ সমস্ত বদগুণবোৰ পূৰা মাত্ৰাই আয়ত্ব কৰিলোৱা শঙ্কৰ গোস্বামীক কুটা জ্ঞান কৰি তাই বিমুখ কৰি পঠিয়াইছিল। শঙ্কৰ গোস্বামী বিমুখ হৈছিল ; কিন্তু অপমান আৰু নিৰাশাৰ জ্বালাত তাৰ মনত তেতিয়াও নুশুকোৱা ঘা এডোখৰ লাগিছিল।

উৎপলাই মোক কৈছিল ঃ 'তয়ো ভাবি চা-চোন, বন্দনা। যি সবিতাই শৰতৰ মৃত্যুৰ পিচতো ভাগি পৰিব খুজিও ভাগি নপৰিল—জীৱনটোক নিঠুৰ বুলি জানিও অসীম ধৈৰ্যৰে আঁকোৱালি লৈ আগবাঢ়ি গৈ থাকিল, সেইজনী বন্দনাই—দুজনীয়া সংসাৰ এখন চলিব পৰা সংস্থাপন এটা থকা স্বত্বেও তাইৰ প্ৰাণাধিক ছোৱালীজনীক অথাই সাগৰত পেলাই আত্মহত্যা কৰিব?'

উৎপলাই দিল্লী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতিত এম, এ, পাচ কৰাৰ পিচত তাৰে কোনো এখন কলেজৰ পৰা আইনৰ পৰীক্ষা পাচ কৰি বৰ্তমান ওকালতিত নামিছে। তাইৰ কথা বিলাকত আইনৰ গোন্ধ থাকে। কিন্তু সংসাৰৰ খুটিনাটি কথা বিলাকত ডুব গৈ থাকিলেও উৎপলাই কোৱা একেখিনি কথাই এতিয়া বাৰ বাৰ মোৰ মনলৈও আহিছে।

* * * * *

" আমি সকলোৱে একেই নাৱৰ যাত্ৰী—
ইজনে সিজনক বুকুত সাৱটি জীয়াই আছোঁ।"

হোচি মিন

প্ৰবন্ধ

# আধুনিক ভাৰত আৰু সাম্প্ৰদায়িকতাৰ আদি পৰ্ব

দ্বিজেন দাস
মুৰব্বী অধ্যাপক, ইতিহাস বিভাগ ।

**" Hindu and Muslim Communalism is, in neither case, even bonafide communalism but political and soc· l reaction hiding behind the communal mask. "**

**— Jawaharlal Nehru.**

বৰ্তমান সাম্প্ৰদায়িক সমস্যাই ভাৰতবৰ্ষত গুৰুতৰ আকাৰ ধাৰণ কৰিছে । সাম্প্ৰদায়িকতা আধুনিক যুগৰ সৃষ্টি । সাম্প্ৰদায়িকতা আধুনিক ভাৰতবৰ্ষত কেনেকৈ গা-কৰি উঠিল, সেই কথা আলোচনা কৰাৰ আগতে আমি সংক্ষিপ্ত ভাবে সাম্প্ৰদায়িকতাৰ অৰ্থ ব্যাখ্যা কৰাৰ প্ৰয়াস কৰিম। বিখ্যাত ঐতিহাসিক অধ্যাপক বিপান চন্দ্ৰই সাম্প্ৰদায়িকতাৰ এনেদৰে ব্যাখ্যা কৰিছে ঃ " এক ধৰ্মীয় গোষ্ঠীৰ ধৰ্ম বিশ্বাস যিহেতুকে একে, সেয়ে তেওঁলোকৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক চেতনা আৰু স্বাৰ্থও একে ।" এই ধাৰণাৰ বশৱৰ্তী হ'লে এক শ্ৰেণীৰ মানুহে সকলো সমস্যা ধৰ্মীয় দৃষ্টিভঙ্গীৰে বিশ্লেষণ কৰে । এনে অৱস্থাত সাম্প্ৰদায়িক ভাবাবেগৰ দ্বাৰা প্ৰভাবান্বিত হৈ এই শ্ৰেণীৰ মানুহে অন্য ধৰ্মীয় সম্প্ৰদায়ৰ ক্ষতি সাধন আৰু বিৰুদ্ধাচাৰণ কৰিব ধৰে আৰু সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যা একে হোৱা স্বত্বেও অন্য ধৰ্মাৱলম্বী মানুহক বিৰোধী হিচাবে গণ্য কৰে । এইখিনিতে ধৰ্ম নিষ্ঠাৰ লগত সাম্প্ৰদায়িকতাৰ পাৰ্থক্য মন কৰিবলগীয়া । ধৰ্মনিষ্ঠাৰ লগত ওতঃপ্ৰোত সম্বন্ধ হ'ল ধৰ্ম তত্ত্ব আৰু আচাৰ-বিচাৰৰ । কিন্তু সাম্প্ৰদায়িকতা হ'ল নিজ সম্প্ৰদায়ৰ প্ৰতি এক শ্ৰেণীৰ মানুহৰ অন্ধ আনুগত্য । বহলাই কবলৈ গলে, সাম্প্ৰদায়িকতা কেইটামান বিশেষ উপাদান যেনে—কোনো বিশেষ সম্প্ৰদায়ৰ প্ৰতি অন্ধ আনুগত্য ; একাত্মবোধ, আৰু অন্য সম্প্ৰদায়ৰ লগত পাৰ্থক্যবোধ আদিৰ মিশ্ৰণৰ ফলত বৃদ্ধি পাব পাৰে । সমাজৰ কোনো এক অংশৰ একাত্মবোধৰ মিলন সূত্ৰ হ'ল ধৰ্মীয় ঐতিহ্যৰ প্ৰতি সচেতনতা আৰু এই সচেতনতাই মানুহৰ ব্যক্তিগত আৰু সমষ্টিগত জীৱন নিয়ন্ত্ৰণ কৰে । এই দৰে নিজৰ ধৰ্মৰ প্ৰতি গোড়া আনুগত্য, বিশ্বাস আৰু একাত্মবোধৰ পৰা উদ্ভৱ হয় অইন সাম্প্ৰদায়ৰ প্ৰতি পাৰ্থক্যবোধ । সাম্পম্প্ৰদায়িক চেতনা অকল ধৰ্মীয় ধ্যান-ধাৰণাৰ পৰা উদ্ভৱ নহয় ; ইয়াৰ লগত ৰাজনীতিৰ যোগা-যোগ আছে । অৰ্থাৎ সাম্প্ৰদায়িক চিন্তা আৰু কাৰ্যকলাপ সময়ে সময়ে ৰাজনৈতিক ক্ষমতা দখলৰ হাতিয়াৰ হিচাবে ব্যৱহাৰ হোৱা দেখা যায় ।

বিংশ শতাব্দীত জাতীয় আন্দোলনৰ সময়ত সাম্প্ৰদায়িক ৰাজনীতি ভাৰতবৰ্ষত কেনেকৈ গা-কৰি উঠিলে আলোচ্য প্ৰবন্ধত সংক্ষিপ্তভাবে আলোচনা কৰা হ'ল ।

বৃহত্তৰ ভাৰতীয় জীৱন ক্ষেত্ৰত গতি আৰু প্ৰাণ চাঞ্চল্য স্পন্দিত হয় বৃটিছৰ আগমনৰ লগে লগে। প্ৰাক্-বৃটিছ যুগত ভাৰতীয় গাওঁসমূহ আছিল স্পন্দনহীন্ একোটা দ্বীপপুঞ্জ সদৃশ। বৃটিছৰ পুঁজিবাদী অৰ্থনীতিৰ হেঁচাত পৰি প্ৰাক্-বৃটিছযুগৰ ভাৰতৰ গ্ৰাম্য অৰ্থনীতি চুৰমাৰ হৈ নতুন ৰূপত গঢ়ি উঠে। ( A Single economic unit by the introduction of capitalist forms )। সেয়ে স্পন্দনহীন ভাৰতীয় গ্ৰাম্য অৰ্থনীতিৰ গতি সঞ্চাৰ হয় সাম্ৰাজ্যবাদীৰ লুণ্ঠন, ৰাজহ, আৰু মুদ্ৰানীতিৰ ফলত। ভাৰতীয় অৰ্থনীতিত অনিবাৰ্য ভাৱে দেখা দিয়ে নতুন ব্যৱস্থা— ommercialisation of agriculture। সাম্ৰাজ্যবাদীয়ে এই নতুন অৰ্থনৈতিক ব্যৱস্থা প্ৰৱৰ্তন কৰে ইংলেণ্ডৰ ফেক্টৰীৰ সমূহত প্ৰয়োজনীয় কেঁচামাল যোগান ধৰা উদ্দেশ্যে। এই দৰে শোষণৰ নখ বঢ়াৰ লগে লগে উপনিবেশীয় প্ৰশাসন যন্ত্ৰৰ ব্যয় বৃদ্ধি পাবলৈ ধৰে। ব্যয় সংকোচনৰ উদ্দেশ্যে " মেকলে ' চাহাবৰ আদৰ্শত ভাৰতত প্ৰৱৰ্তন কৰা হয় উপনিবেশীয় শিক্ষা ব্যৱস্থা। এই শিক্ষা ব্যৱস্থাৰ সম্প্ৰসাৰণৰ লগত ভাৰতৰ সমাজ জীৱনৰ নতুন বিন্যাসে বিকাশ লাভ কৰে। জীৱনৰ এই আধুনিক বিন্যাস কিন্তু জাতি-ধৰ্ম নিৰ্বিশেষে সমাজৰ সকলো শ্ৰেণীৰ মানুহে সমানভাৱে গ্ৰহণ কৰিব পৰা নাছিল। এইখিনিতে উল্লেখ কৰা ভাল হব যে ভাৰতীয় উচ্চ মুছলমান শ্ৰেণীটোৱে মুছলমান শাসনৰ প্ৰতি থকা " নষ্টালজিক " ধাৰণাৰ বাবে বৃটিছৰ শাসন সহজ ভাৱে মানি লব পৰা নাছিল। সেয়ে পলাচী যুদ্ধৰ পৰা চিপাহী বিদ্ৰোহলৈকে বৃটিছ আৰু মুছলমানৰ মাজত বাহি-যোৰা অহা নাছিল। আন হাতে ভাৰতবৰ্ষত বৃটিছৰ শাসন হিন্দুৰ উচ্চজাত শ্ৰেণীটোৱে ভগৱান প্ৰদত্ত আশীৰ্বাদ বুলি নতশিৰে মানি লয় আৰু বৃটিছে প্ৰৱৰ্তন কৰা সকলো সা-সুবিধা গ্ৰহণ কৰিবলৈ তৎপৰ হৈ উঠে। এইদৰে ব্যৱসায় বাণিজ্য, শিক্ষা, চাকৰি জীৱনৰ বিভিন্ন বিশাল ক্ষেত্ৰত নতুন উৎসাহেৰে সু-প্ৰতিষ্ঠিত হবলৈ তেওঁলোক তৎপৰ হৈ উঠে। ফলস্বৰূপে হিন্দু আৰু মুছলমানৰ মাজত সামাজিক আৰু অৰ্থনৈতিক প্ৰতিপত্তিৰ ব্যৱধান অভাৱনীয় ভাৱে বৃদ্ধি পাবলৈ ধৰে।

" The different reaction of the Hindus and Muslims to English rule and English education profoundly affected the subsequent development of the two communities. " ( Social Ideas and social change in Bengal 1818-1835 A. F. Salahuddin Ahmed. P. 19 )।

হিন্দু আৰু মুছলমানৰ মাজৰ পাৰ্থক্য বেখাডাল তলৰ তালিকাখনে প্ৰমাণ কৰে। ১৮৫৮ চনৰ পৰা ১৮৭১ চনলৈকে কলিকতা বিশ্ববিদ্যালয়ে ১৭২০ জন ডিগ্ৰীধাৰী ( Graduates ) সৃষ্টি কৰে। তাৰে ভিতৰত মুছলমানৰ সংখ্যা আছিল মাত্ৰ ৩৮ জন। সেইদৰে চাকৰি বাকৰিৰ ক্ষেত্ৰতো মুছলমান শ্ৰেণীটোৰ পশ্চাদ্গামিতা লক্ষণীয়। ১৮৭১ চনত থকা ২১১১ জন গেজেটেদ্ বিষয়াৰ ভিতৰত ইউৰোপীয়ৰ সংখ্যা আছিল ১৩৮১ জন, হিন্দুৰ সংখ্যা আছিল ৬৮১ জন আৰু মুছলমানৰ সংখ্যা মাত্ৰ ৯২ জন। অথচ ১৯০৫ চনৰ লোক পিয়ল অনুসাৰে পূৰ্ববঙ্গৰ মুছলমানৰ সংখ্যা আছিল শতকৰা ৬৫'৮৫ জন। তাৰোপৰি ভূমি ব্যৱস্থা বেপাৰ বাণিজ্য আদিত হিন্দুৰ উচ্চজাত শ্ৰেণীটো আছিল প্ৰভাৱশালী। বঙ্গদেশৰ জমিদাৰীৰ দহ ভাগৰ ন ভাগ আছিল হিন্দু জমিদাৰৰ হাতত। মণ্ডল কানন-গু আদি বিষয়াসকল আছিল হিন্দু। সকলো মহাজন আৰু কাৰবাৰীসকল আছিল হিন্দু। দুই সম্প্ৰদায়ৰ বিকাশৰ এই অসমতাৰ বাবে সাম্ৰাজ্যবাদী শাসন যে বহু পৰিমাণে দায়ী আছিল তাত অকণো সন্দেহ নাই। সেই সময়ৰ ভাৰতবৰ্ষৰ মুছলমান শ্ৰেণীটোৰ মনোবৈজ্ঞানিক গঠন প্ৰক্ৰিয়াক ( Psychological make-up ) দুটা ভাগত ভাগ কৰিব পাৰি। ১৮৪০ চনৰ পৰা ১৮৭০ চনলৈ প্ৰথম স্তৰ। দ্বিতীয় স্তৰ হ'ল ১৮৭১ চনৰ পৰা ১৮৯১ চনলৈ। প্ৰথম স্তৰত এক শ্ৰেণী মানুহৰ মাদ্ৰাছা শিক্ষাৰ প্ৰতি মোহভঙ্গ হয় আৰু বৃটিছ বিৰোধী মনোভাৱৰ পৰিৱৰ্তনৰ মৃদু বতাহ বলিবলৈ ধৰে। দ্বিতীয় স্তৰত

বৃটিছৰ লগত সহযোগিতাৰ আৰু সহ-ধৰ্মিতাৰ শুভ সূচনা হৈছিল হাণ্টাৰৰ ' Indian Musalmans ' নামৰ কিতাপখন প্ৰকাশৰ লগে লগে। এই দৰে অৰ্থনৈতিক আৰু ৰাজনৈতিক সা-সুবিধাৰ অসমতাই হিন্দু আৰু মুছলমানৰ মাজত সাম্প্ৰদায়িকতাৰ বীজ অংকুৰিত কৰে

কিন্তু উচ্চজাত মুছলমান শ্ৰেণীটোৱে ভৱিষ্যতৰ বৈষয়িক ছবি কল্পনা কৰি হিন্দুৰ দৰে নিজৰ সন্তি-সন্ততিক উপনিবেশীয় শিক্ষাত দীক্ষিত কৰিব বিচাৰিলে। এই দৰে হাণ্টাৰৰ গ্ৰন্থই উচ্চ মুছলমান শ্ৰেণীটোৰ মানসিকতাত প্ৰৱল ভাবে ক্ৰিয়া কৰে আৰু এই মানসিকতাৰ চুৰান্ত অভিব্যক্তি হ'ল ১৯৪৭ চনৰ ভাৰত বিভাজন। পৰৱৰ্তীকালত উপনিবেশীয় শিক্ষাৰ সজ্জিত হোৱা শ্ৰেণীটোৱে নিজৰ সামাজিক আৰু ৰাজনৈতিক অৱস্থান অক্ষুণ্ণ ৰাখিবলৈ ইছলামৰ সংহতি আৰু পবিত্ৰতাৰ নামত পিৰামিডৰ নিম্নস্তৰত চেপা খাই থকা মুছলমান শ্ৰেণীটোৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ তৎপৰ হয়। এই প্ৰসঙ্গত স্মৰণীয় যে আধুনিক মতবাদ আৰু শিক্ষাৰ পৰশ নোপোৱা সমাজৰ সাধাৰণ মানুহখিনিয়ে একক ব্যক্তি সত্বা হিচাপে জীৱন ধাৰণ কৰাৰ পৰিৱৰ্তে সাম্প্ৰদায়িক বা গোষ্ঠিবদ্ধ হিচাবে ক্ৰিয়াশীল হৈ থাকে। সমাজৰ সকলো সমস্যা আপোন বিচাৰ বুদ্ধিৰে উপলব্ধি-আলোকত বিচাৰ কৰিবলৈ অপাৰগ হয়। সেয়ে মুছলমান উচ্চ শ্ৰেণীটোৱে নিজ স্বাৰ্থৰ বাবে ধৰ্মীয় সংহতিৰ ধ্বনি তুলিছিল। ( এই ক্ষেত্ৰত হিন্দুৰ উচ্চজাত শ্ৰেণীটো বহুপৰিমাণে দায়ী )।

" By keeping hold on the lower class Muslims they tried to successfully compete with advanced Hindu Society so that they could realize more facilities from the government. " ( Roots of Separatism in nineteenth century Bengal " by Amalandu De P. 30 )।

এই প্ৰসঙ্গত আমি আলিগড় আন্দোলনৰ প্ৰৱক্তা ছাৰ চৈয়দ আহমেদৰ নাম উল্লেখ কৰিব পাৰো। সেই বুলি আলিগড় আন্দোলনটি বৃটিছ পৃষ্ঠপোষকতাত গঢ়ি উঠিলেও কংগ্ৰেছৰ প্ৰতিবাদী অনুষ্ঠান বুলি ধৰি ললে ঐতিহাসিক সত্যৰ অপলাপ কৰা হব। চৰকাৰী ভাবে ইছলামৰ তথাকথিত Fanaticism and Anti-foreign mentality বহুদিনৰ পৰা বৃটিছে গভীৰ উৎকণ্ঠাৰে লক্ষ্য কৰি আহিছিল। গতিকে সেই ধাৰণাৰ পৰিৱৰ্তন কৰাটো কৌশলী সাম্ৰাজ্যবাদীৰ স্বাভাৱিক প্ৰক্ৰিয়া আছিল। ফলত বৃটিছৰ যুগত সাম্প্ৰদায়িকতাৰ বিষ বাষ্পই সামাজিক আৰু ৰাজনৈতিক জীৱন ছানি ধৰিলে। এই ক্ষেত্ৰত হিন্দুৰ শিক্ষিত শ্ৰেণীটোৰ ভূমিকা মুছলমানৰ বাবে সন্দেহজনক আছিল। পশ্চিমীয়া গণতান্ত্ৰিক ধাৰণাৰে পৰিপুষ্ট হৈ কলিকতাক কেন্দ্ৰ কৰি তেওঁলোকে তথাকথিত নৱ-জাগৰণৰ সৃষ্টি কৰিলেও তাৰ প্ৰভাৱ আছিল সীমিত। নৱ-জাগৰণৰ প্ৰভাৱত তেওঁলোকে বৈদিক ধ্যান-ধাৰণা সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি ধাউতি প্ৰদৰ্শন কৰিলেও ভাৰতীয় কৃষি ব্যৱস্থা আৰু জমিদাৰৰ হাতত নিষ্পেষিত হোৱা হিন্দু আৰু মুছলমান ৰায়তৰ সমস্যাৰ প্ৰতি তেওঁলোক আছিল চৰম উদাসীন। তাৰোপৰি সাধাৰণ মানুহখিনিৰ শিক্ষা-দীক্ষাৰ প্ৰতি তেওঁলোকে চকু দিয়া নাছিল। তাৰ ফলত সামাজিক অৰ্থনৈতিক পৰিৱেশৰ মাজতে লালিত-পালিত হোৱা ধৰ্মীয় সত্বাই বিপথগামী হবৰ সুবিধা পালে আৰু ভাৰতৰ দুই সম্প্ৰদায়ৰ বিবাদৰ বীজ ধৰ্মীয় পলসুৱা মাটিত অংকুৰিত হ'ল। এইদৰে হিন্দুৰ অগ্ৰসৰ-পদক্ষেপ আৰু মুছলমানৰ পশ্চাদ-গামীতাই সৃষ্টি কৰিলে সাম্প্ৰদায়িকতাৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক বুনিয়াদ। এই বুনিয়াদৰ ওপৰত ভিত্তি কৰি ভাৰতবৰ্ষৰ ইতিহাস নিয়ন্ত্ৰিত হবলৈ ধৰে।

১৮৮৫ চনৰ ইংৰাজ চিভিলিয়ান এল্যান এক্টোভিয়ান, হিউমৰ অনুপ্ৰেৰণা আৰু উৎসাহত ভাৰতীয় শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোৱে গঢ়ি তোলে ভাৰতীয় জাতীয় কংগ্ৰেছ। এই অনুষ্ঠানটোৰ গঠনত বৰলাটে হিয়া ভৰা আশীৰ্বাদ দিছিল। কাৰণ সাম্ৰাজ্য-বাদী আৰু মহাজন শ্ৰেণীৰ নিৰ্মম শোষণৰ বলি কৃষকে যাতে অসন্তুষ্ট মধ্যবিত্ত নিবনুৱা শ্ৰেণীটোৰ লগত আত্মীয়তা গঢ়ি তুলিব নোৱাৰে।

" The formation of the National

Congress represented from the view point of the govt. an attempt to defeat or rather forestall an inpending revolution " ।

কিন্তু বৃটিছ আৰু কংগ্ৰেছৰ মাজত চলা মিতিৰালি বেছি দিন স্থায়ী নহ'ল । ভাৰতীয় ৰাজনৈতিক মঞ্চত উপস্থিত হয় ইংৰাজ আৰু কংগ্ৰেছৰ মাজত সংঘাত । ১৯০৫ চনত আহিল বংগ বিভাজনৰ উত্তাল তৰঙ্গ । এই স্বদেশী যুগৰ প্ৰভাৱত হিন্দুৰ শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোৱে নিজস্ব—" Identity " ৰ অনুসন্ধানত ব্যস্ত হৈ পৰে । বৈদিক ধ্যান ধাৰণাৰ মাজেৰে নিজস্ব Identity দাঙি ধৰিবলৈ চেষ্টা কৰে । সেয়ে বিংশ শতাব্দীৰ প্ৰথম ভাগত ভাৰতীয় জাতীয়তাবাদক Hindu oriented Nationalism বুলি কোৱা হয় । এই তত্ত্বৰ প্ৰবক্তা আছিল বিপিন চন্দ্ৰ, তিলক আৰু অৰবিন্দ । সাধাৰণ মানুহখিনিক সাম্ৰাজ্যবাদী বিৰোধী কৰি জাতীয় আন্দোলনৰ লগত জড়িত কৰাৰ উদ্দেশ্যে তেওঁলোকে বৈদিক ধ্যান ধাৰণাৰ ওপৰত আশ্ৰয় গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল । কিন্তু এই আচঁনি বহু পৰিমাণে সফল হলেও নষ্ট হৈ আহিব ধৰা জাতীয় সংহতি আৰু সাম্প্ৰদায়িক সম্ভাৱ ইয়াৰ ফলত ক্ষতিগ্ৰস্ত হবলৈ ধৰে । হিন্দুৰ বৈদিক ধ্যান ধাৰণাৰ প্ৰচাৰ, কালীৰ ব্যাপক পূজা, হিন্দুমেলা আৰু শিৱাজী,—ৰাণা-প্ৰতাপ আদিৰ বীৰ পূজাই মুছলমান সম্প্ৰদায়ৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সূচনা কৰিলে ।

" This stress on Hindu identity acted in its turn and perhaps unwillingly, as a force of alienation. In particular it alienated the Muslim intelligentsia " ( " Renaissance in Bengal : Search for identity. " By A. Poddar P. 34. )"

হিন্দু সকলে এইদৰে স্বদেশ প্ৰীতি আৰু স্বধৰ্মৰ মাজত থকা পাৰ্থক্যৰ সীমাৰেখাডাল অস্পষ্ট কৰি তোলে । এই ধৰ্মীয় আৰু সাম্প্ৰদায়িক মনোভঙ্গীয়ে পৰৱৰ্তী কালৰ জাতীয় আন্দোলনক বেয়াকৈ ক্ষতিগ্ৰস্ত কৰে । আনহাতে উচ্চজাতৰ মুছলমান শ্ৰেণীটোৰ স্বধৰ্ম প্ৰেমৰ আতিশয্যত স্বদেশ প্ৰেম নিষ্প্ৰভ হৈ পৰা বুলি কলে ভুল কৰা নহব । বৃহত্তৰ ভাৰতৰ বাসিন্দা হৈয়ো তেওঁলোকে ঐতিহ্যৰ অনুসন্ধান কৰিছিল ইৰাণ, আৰৱ আৰু তুৰস্কত । এইদৰে জাতীয়তাবাদৰ গঠনত প্ৰাৰম্ভিক কালত দুয়োটা সম্প্ৰদায়ে দেশৰ মাটিৰ পৰা খাঁটি ঐতিহ্য আহৰণ কৰি প্ৰকৃত জাতীয়তাবাদৰ মৌচাক গঢ় তুলিবলৈ ব্যৰ্থ হৈছিল ।

" Hence the personlity of the elite remained largely self-divided and inconsistent and their efforts to regain full possession of their identity as Indians ran deplorably short of acnievement. " ( Do P. 33 )

এইদৰে জাতীয় আন্দোলনে দীঘলীয়া পথ অতিক্ৰম কৰাত সুস্থ আৰু অসুস্থ প্ৰৱণতাৰ সৃষ্টি কৰি ভাৰতীয় মানুহক বিভ্ৰান্ত কৰিছিল । যি সময়ত ভাৰতীয় মানুহে জাতীয়তাবাদৰ পথেৰে ৰাজপথলৈ আগুৱাই আহিছিল তেতিয়া পৰিবৰ্ধমান জাতীয় অনুভূতিৰ লগত ধৰ্মাশ্ৰিত জাতীয়তাবাদৰ ব্যাখ্যাৰ সংমিশ্ৰণ হৈছিল । সেই সময়তে সাম্ৰাজ্যবাদীয়ে " Divide and rule " প্ৰয়োগ কৰি নিজৰ স্বাৰ্থ অক্ষুণ্ণ ৰখাৰ বাবে সক্ৰিয় হৈ উঠে । ফলশ্ৰুতিত ১৯০৬ চনত আগাখাৰ নেতৃত্বত মুছলমানৰ এদল প্ৰতিনিধি সাম্প্ৰদায়িক দাবী তুলি বৰলাটক দেখা কৰে আৰু এই প্ৰতিনিধি দলৰ নেতৃত্বত গঢ় উঠে ভাৰতীয় মুছলিম লীগ্ । এই দৰে বিংশ শতাব্দীৰ আৰম্ভণিত হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক বিবাদে ভাৰতীয় ৰাজনীতি কলুষিত কৰি তোলে । আচলতে এই সাম্প্ৰদায়িকতাৰ সৃষ্টি আৰু বিকাশ হৈছিল হিন্দু আৰু মুছলমানৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অসমতাৰ ফলত ।

" Communalism was mainly the result of the peculiar development of the Indian social econony under the British rule, of the uneven economic and cultural development of different communities, and of the action of the strategy both of the British government and the vested interests within those communities." ( ' Social background of Indian Nationalism.' By—A. R. Desai. P. 393. ∵

# ঃ আহোম যুগৰ এটি দিশ-সাহিত্য ঃ

শ্ৰীঅতুল চন্দ্ৰ দাস
উঃ মাঃ ২য় বাৰ্ষিক ( কলা )

আহোম সকলে "চুকাফা" নামৰ এজন পৰাক্ৰমী নেতাৰ নেতৃত্বত দুৰ্লঙ্ঘ পাটকাই পৰ্বত পাৰ হৈ আহি অসমত আহোম" ৰাজ্য প্ৰতিস্থা কৰি ১২২৮ খৃঃৰ পৰা ১৮২৬ খৃঃ লৈকে বিৰতিহীন ভাৱে প্ৰায় ছয়শ বছৰ অসম দেশখনক শাসন কৰিছিল। তেওঁলোকে শাসন কৰা এই দীঘলীয়া সময়ছোৱাত অসমে নানা দুৰ্যোগ, বিপৰ্যয়, ঘাট-প্ৰতিঘাত, সন্ধি-বিগ্ৰহ, জয় পৰাজয়, বিনিময় সংগ্ৰহ আদিৰ সন্মুখীন হব লগা হৈছিল। শ্ৰীলীলা গগৈয়ে কৈছে,—"চুটিয়া, বৰাহী, কছাৰী, মৰান, ভূঞা আদি বিভিন্ন জনগোষ্ঠীৰ হাতত খণ্ড-বিখণ্ড হৈ থকা লুইতৰ দুয়োপাৰ "অসম" নামৰ এখনি ৰাজ্যত পৰিণত হ'ল আৰু তাতোকৈয়ো টুকুৰা-টুকুৰ হৈ থকা জাতি-জনজাতি, উপজাতি মিলি "অসমীয়া" নামৰ এটা নতুন জাতিলৈ উন্নীত হ'ল। আহোম যুগৰ সংস্কৃতি মানেই নাক-কাণ কাটি আঠু ঘিলা কঢ়া বুলি অনেকৰ মাজত বদ্ধমূল ধাৰনা আছে। কিন্তু এই মানুহবোৰবে গুণগ্ৰাহিতা সহিষ্ণুতা আৰু সৌন্দৰ্য প্ৰীতিয়ে অসমৰ সংস্কৃতিৰ বুৰঞ্জীৰ কবটি শিলত এটি স্বৰ্ণ-ৰেখা অংকণ কৰি থৈ গ'ল।"

আহোমসকল বিখ্যাত টাই জাতিৰ এটি অংশ। টাইসকল আছিল শ্যাম-চীন ভাষা গোষ্ঠীৰ মানুহ। এওঁলোকে চীন দেশত বিশাল চীনা সংস্কৃতিৰ ভেটি প্ৰতিস্থা কৰিছিল। আহোমসকলে অসমলৈ আহোতে তেওঁলোকৰ নিজা ভাষা, সংস্কৃতি, ধৰ্ম, আচাৰ-ব্যৱহাৰ আদি লৈ আহিছিল আৰু কিছুদিন তাকে সাৱঁতি আছিল। কিন্তু, কালক্ৰমে নিজৰ ৰাজ্যৰ ভেটি সুদৃঢ় কৰৰৰ বাবে হওঁক বা আন কাৰণতে হওঁক বা নিজৰ জনপ্ৰিয়তা অৰ্জন কৰিবৰ বাবে হওঁক তেওঁলোকে নিজ নিজ সংস্কৃতি এৰি অসমৰ থলুৱা ভাষা সংস্কৃতি, গ্ৰহন কৰিবলৈ ধৰে। তেওঁলোকে অসমলৈ আহোতে যথেষ্ঠ কম সংখ্যক তিৰোতা মানুহ অনাৰ ফলস্বৰূপে অসমলৈ আহি তেওঁলোকে বিভিন্ন জন-গোষ্ঠীৰ মাজত বিয়া-বাবুৰ সম্বন্ধ স্থাপন কৰিব লগা হৈছিল। মৰান, বৰাহী, চুটিয়া, কছাৰী, নগা, মিৰি, গাৰো, বামুণ, ভূঞা, কায়স্থ, কলিতা আদি বিভিন্ন জাতিৰ লগত বিভিন্ন সম্বন্ধ স্থাপন কৰি আহোমসকলে মনৰ ভাৱ আদান প্ৰদানৰ লগতে সাংস্কৃতিক বিনিময় কৰিছিল। তেওঁলোকে পদ মৰ্যদা অনুসাৰে বিভিন্ন জন গোষ্ঠীৰ মানুহ আনি বজাঘৰীয়া বিষয় বাব দি নিজৰ ফলীয়া কৰি লৈছিল। শ্ৰীলীলা গগৈয়ে কৈছে ঃ" যদিও সময়ত বিশেষকৈ মোৱামৰীয়া বিদ্ৰোহৰ পিছত সাম্প্ৰদায়িক ভেদ ভাৱ জাগি উঠিছিল, কিন্তু তাৰ আগতে পঞ্চদশ-ষোড়শ শতিকাৰ পৰা বজাঘৰীয়া উদাৰতাৰ বাবে জাতিগত ভেদভাৱ পাহৰি "এটাজাতি" এই আদৰ্শত উদ্বুদ্ধ হৈছিল আৰু সিয়ে 'অসম' আৰু 'অসমীয়া' শব্দৰ মূল ভেটি।" জাতিগত সমন্বয়ে সদায়ে সংস্কৃতিৰ বিকাশত যাদু মন্ত্ৰৰ দৰে কাম